665

# CHINTA TARANGINI.

## PART I.

BY

BHOLA NATH DAS.

*NOWGONG.*

# চিন্তা-তৰঙ্গিণী।

## প্ৰথম ভাগ।

শ্ৰীভোলানাথ দাস

প্ৰণীত।

নগাঁও।

---

ভোজন সুমিষ্ট চাওঁ নাহি উপাৰ্জ্জন।
লাভ চাওঁ বহু, কিন্তু নাহি মূলধন॥
নাহি বল বোলাইবে চাহোঁ মহাবীৰ।
থৰ থৰি হিয়া মুখে বচন গম্ভীৰ॥

চতুৰ্থ তাঙ্গৰণ।

কলিকাতা,

৪নং কলেজ-স্কোৱাৰ, নিউ-যন্ত্ৰত,
সেখ আমিন-উদ্দিন দ্বাৰা ছপা
আৰু প্ৰকাশ হ'ল।

সন ১৩১৫ সাল।

# বিজ্ঞাপন।

এই "চিন্তা-তৰঙ্গিণী" পুথিখানি আজি পাঠক সকলৰ হাতত অৰ্পণ কৰিলোঁ। ইয়াৰ এনে কোনো গুণ নাই যে ই সিবিলাকৰ মনোৰঞ্জন কৰিব পাৰে; যদি তথাপি সিবিলাকে ইয়াক আদৰ কৰি হাতত তুলি লয়, সেইটী কেৱল সিবিলাকৰ উদাৰতা গুণ মাথোন।

এই পুথিখানি লেখা বাবে নগাঁওৰ টেক্সট্-বুক মিটিয়ে আমাক ১০০৲ টকা পুৰস্কাৰ দিছে।

শ্ৰীভোলানাথ দাস।

অসম সাহিত্য সভা।
লাইব্ৰেৰী।
তাৰিখ... নং

# OPINION OF THE NOWGONG A. V.
## TEXT BOOK COMMITTEE.

---

## "CHINTA TARANGINI."

BY

BABU BHOLA NATH DAS,

*NOWGONG.*

---

This is a Poetical Reader containing Author's thoughts on various subjects, viz. Dreams, Widow's cries, Birthplace, Calcutta, Dead body, Exile of Rama, Weeping mother &c. The language is sublime and the style good. It has been nicely written and the subjects carefully selected. We would recommend it to be used as a text book in higher classes of our schools.

*16th March, 1884.*
(*Sd*) Ratna Kanta Baruah.
(*Sd*) Prasanna Kumar Sen.
(*Sd*) Gunabhiram Baruah.
(*Sd*) Nandisvar Phukan.

# নিৰ্ঘণ্ট।


| বিষয়। | পৃষ্ঠা। |
|---|---|
| চিন্তা-তৰঙ্গিণী ... ... ... | ১ |
| অকাৰণ কুযশ ৰটনা ... ... | ৩ |
| শব দৰ্শন ... ... ... | ৪ |
| জড়াসন্ধ বধ ... ... ... | ৬ |
| যবনে আসাম আক্ৰমণ কৰাৰ সময়ত কোন এক বীৰ পুৰুষৰ উক্তি ... | ৭ |
| কৌশল্যাৰ ওচৰত ৰামৰ বিদায় ... ... | ১০ |
| ভাৰতৰ প্ৰতি প্ৰশ্ন ... ... | ১৯ |
| কেৰাণী-বাবু ... ... ... | ২১ |
| মোৰ প্ৰতি বিদ্ৰূপ ... ... | ২৫ |
| তিৰস্কাৰ ... ... ... | ২৭ |
| কাকো চিনিব নোৱাৰি ... ... | ৩১ |
| সীতাহৰণ-কাব্য ... ... | ৩২ |
| স্বপ্ন ... ... ... | ৩৮ |
| বিধবা ... ... ... | ৪২ |
| জন্মভূমি ... ... ... | ৪৫ |
| আলেকজেণ্ডাৰ ও দস্যু ... ... | ৪৬ |
| ধনীৰ প্ৰতি ভিক্ষাৰীৰ উক্তি ... ... | ৪৯ |
| কলিকাতা ... ... ... | ৫১ |
| ক্ৰন্দন ... ... ... | ৬৮ |

আসাম সাহিত্য সভা ।
লাইব্রেরী।
তাৰিখ...29/3/29 নং. ১৫৩

# চিন্তা-তৰঙ্গিণী।

## চিন্তা-তৰঙ্গিণী।

অযথা সাহসে,—পাই দুৰাশা আশ্বাস,—
দুৰ্ব্বল চিন্তাৰ বলে, "চিন্তা তৰঙ্গিণী"
ৰচিলোঁ ; সোণাৰি যেন কৰি ধন আশ,
ৰচে স্বৰ্ণ প্ৰায় কৰি পিতলৰ মণি ।
প্ৰকাশিয়া তাক জন সাধাৰণ মাজে,
অৰপিলোঁ আজি হায় লৌহময় হাৰ
অসমীয়া ভাষা কণ্ঠে;—ৰূপহৰ সাজে
কুৰূপিলোঁ দেহ যেন কোমলা বালাৰ—।
লৌহময় অলঙ্কাৰ পৰিধান থাকি,
ভূষণবিহীনাবস্থা বুলি শ্ৰেষ্ঠতৰ
কহে সবে ; আমিও দেখিছোঁ মনে ভাবি
বালিকা প্ৰকৃত ৰূপ অতি মনোহৰ,
তুচ্ছে কুভূষণাবৃত সৌন্দৰ্য্য সমল ।

অন্তৰে তথাপি,—জানি, পাই দুনয়ন,—
কলুষিবে এক যেন অমল কমল
কিয় হল ইচ্ছা হায় নাজানোঁ কাৰণ।
কিন্তু পুনঃ ভাবি দেখোঁ, ধনী পুত্ৰগণ,
যাহাৰ আগাৰ পূৰ্ণ অসংখ্য হীৰকে,
গাঁথিয়া উজ্জ্বল হাৰ অতি সুচিকণ
দোলায় জননী কণ্ঠে মনৰ আনন্দে ;
দুঃখী পুত্ৰ যদি, যাৰ ঐশ্বৰ্য্যে অভাব,
নানা স্থান হন্তে পুষ্প কৰি আহৰণ,
গাঁথিয়া কুসুম মালা, কৰি ভক্তি ভাব,
দুঃখিনী জননী কণ্ঠে কৰে সংযোজন,
আছে কিবা দোষ তাত ? দৰিদ্ৰ পুত্ৰৰ
সামান্য কুসুম মালা,—সামান্য ভূষণ—,
মাতৃ কণ্ঠে দিলে কিবা আছয় জগৰ ?
নকৰে কি মাতৃ তাক শৰীৰে বহন ?
নহবোঁ নিৰাশ ; জল আশালতা মূলে
কৰিবোঁ সিঞ্চন ; মালা "চিন্তা-তৰঙ্গিণী,"
—নহলেও প্ৰিয় সিটো সভ্য বিজ্ঞ কুলে—,
অবশ্য ধৰিব বক্ষে আদৰে জননী।

---

# অকাৰণ কুযশ ৰটনা।

কৰিয়া প্ৰশাখা শাখা, দুষ্টগণে নানা কথা
ধৰ্ম্মসাক্ষী কৰি কয় কৰাবে প্ৰত্যয়।
কেহোঁ পুত্ৰ শিৰে ধৰি, কহয় শপথ কৰি,
মিছা কথা হেতু তাৰ নকঁপে হৃদয়॥
নানাবিধ অনুযোগ, দিয়ে যত দুষ্টলোক,
অৰ্থ হানি মান হানি কৰয় সম্ভৱ।
কিন্তু ইসবাৰ মন, নাভাবে কি কদাচন,
কি হইবে গতি যবে যাবে লোকান্তৰ?
লোকৰ কুযশ ৰটে, শত্ৰুগণে নানামতে,
কেহোঁ ৰটে স্বাৰ্থ ৰাখি কেহোঁ অকাৰণ।
সি সবৰ বাক্যে মন, কিয় দিয়ে আন জন,
বিচাৰ নকৰি তাৰ হেতু কদাচন?
যদি কোনো জনে কয়, পশ্চিমে ৰবিৰোদয়,
হেনও আছয় মূৰ্খ সিকথা বিশ্বাসে।
[illegible] সংসাৰে হায়, আছে আৰু কিনোপায়,
নিৰ্দ্দোষী জনাও দোষী, কুযশত ভাসে॥
ৰটোক কুযশ সবে, হৰ্ষ চিত্তে উচ্চৰবে,
ডাকোক কুকুৰ যেনে ভেউ ভেউ স্বৰে।

দোষ যদি থাকে গাৱে, অলীক বা যদি হোৱে,
জানে কৰ্ত্তা জানে কৰ্ম্ম জানয় ঈশ্বৰে।
তবে মাত্ৰ এক কথা, অন্তৰে দিয়য় ব্যথা,
শত্ৰুগণে হাঁসে ৰঙ্গে হুয়া হৰ্ষমতি।
হাঁসোক হাঁসিলে যদি, হুয়া সবে অবিবেকী,
ওলাইব সিসবৰ দন্ত দুইপাতি॥

---

## শৱ দৰ্শন।

দিছিলে যাহাক বিধি মনোহৰ ৰূপ।
দেখা তাৰ কালে আজি,
হৰিয়াছে ৰূপ বাজি,
পড়িয়াছে মৃত দেহ হুইয়া কুৰূপ।

সুচিকণ কেশ গুচ্ছ নোশোভয় শিৰে।
নাহি মুক্তা প্ৰায় দন্ত,
ক্ৰমে ক্ৰমে সব অন্ত,
নাহি নেত্ৰ নাহি কৰ্ণ সুমাংস শৰীৰে॥

আছে অস্থি মাত্ৰ সাৰ শায়িত ভূতলে।
ক্ৰমে হুব সিও শেষ,

না থাকিব অৱশেষ,
বিচিত্র জগত গতি, কি নকৰে কালে ?

কালে কোনো জননীৰ প্রিয় পুত্র অতি
আছিলেক এহি জন,
লভি তাৰ হৃদাসন ;
কিম্বা কোনো ৰমণীৰ ছিলা প্রাণপতি ॥

অথবা আছিলা কোনো ভাগ্যধৰ জন।
ৰাজ সুখে সুবৰ্দ্ধিত,
গজদন্ত বিনির্ম্মিত
শয়নে শয়ন ছিলে, সদা হর্ষ মন ॥

কতবা আছিল ইচ্ছা কত বাঞ্ছা মনে,
"হুইবোঁ প্রধান লোক,
মানিবেক সবে মোক,
যশস্বী বিখ্যাত নৰ হুইবোঁ ভূবনে ॥"

হায় হায় এবে কিন্তু সব পৰিহৰি।
ত্যজিয়া পার্থিব ভোগ,
প্রিয় জনে দিয়া শোক,
চলিলা অনন্তধামে সবাকো পাসৰি ॥

শৰীৰ পিঞ্জৰ মাত্ৰ আছয় পড়িয়া ঃ
পূৰ্ব্বৰ বান্ধৱ বুলি,
কিম্বা প্ৰিয় পতি বুলি,
কিম্বা পুত্ৰ ভাবি, কেঁৰে নাচায় ফিৰিয়া ॥

পাঠক ! শ্মশানে পড়ি এহি মৃতজন।
দিয়ে উপদেশ এহি,
"শুনিয়োক সৰ্ব্ব দেহি !
অসাৰ সংসাৰ, সাৰ ঈশ্বৰ শৰণ ॥"

---

## জড়াসন্ধ বধ।

দুগোট কেশৰী যেন ৰক্তাক্ত লোচনে,
কৰি নখ দন্তাঘাত, গৰজী গভীৰ,
যুঝে ক্ৰোধভৰে অতি ; যুঁঝিলা সিমতে
ভীমসেন জড়াসন্ধ বলে মহাবলী
চিৰ শত্ৰুৰূপে ; কৰি ভীষণ গৰ্জ্জন
কঁপাইলা শূন্যস্থল ; কঁপিল মেদিনী।
আঘাতিলা গদা উভে মাতঙ্গ বিক্ৰমে
পৰস্পৰ দেহে ; ধৰা, (ভূমিকম্পে যথা),
উভয় চৰণ ভৰে, লৰিলা সঘনে।

নিক্ষেপিলা শেষে ভীম ভীম পৰাক্ৰমে
ভূতলে অৰিক তাৰ। পদে এক পদ
চাপি, আন পদ দৃঢ়ে ধৰি দুই কৰে
ছিঁড়িয়া দুখণ্ড কৰি যেন বংশ গোট।
উড়িল পৰাণ বায়ু দেহ হন্তে তাৰ ;
যেন কোনো বন্য পক্ষী, থাকি অল্প দিন
ইচ্ছা বিপৰীতে বদ্ধ মানব আলয়ে,
ভাগিলে পিঞ্জৰ দৈবে লভিলে মুকুতি,
তুচ্ছ ভাবি সুখ ভোগ মনুষ্য আলয়ে,
উড়য় উল্লাসে চিৰ বাঞ্ছিত কাননে।

---

## যবনে আসাম আক্ৰমণ কৰাৰ সময়ত কোনো এক বীৰপুৰুষৰ উক্তি।

ৰা ৰণ সাজ, এড়া আন কাজ
ধৰা তৰোৱাল তীক্ষ্ণ অস্ত্ৰগণ।
মিৰ্ জুমলা সসৈন্যে, আহিল আসামে ;
ব্ৰহ্মপুত্ৰ নদে উজালে যবন ॥
ন্ধু পাৰ হুই ক্ৰমে অতিক্ৰমি
ৰাজ্য ৰাজধানী নদ নদী যত।

বিজয় পতাকা, উড়িলে আকাশে,
সমস্ত ভাৰত কৰিলে নত ॥
এবে বঙ্গ দেশ, —আসাম ভগিনী—,
বলে অৱহেলি আহিছে আসামে।
এক কোণ হন্তে, আসে আন কোণে,
অতুল সাহসে অতুল বিক্ৰমে ॥
শুনা বীৰগণ, কৰি দৃঢ় চিত,
ধৰা বীৰ দৰ্পে যত অস্ত্ৰগণ।
উলঙ্গ অসিত, চমকোক ৰবি,
তবধ মানোক যতেক যবন ॥
আমাসাৰ সেনা, হোক একত্ৰিত
শত শিঙ্গা ধৰি বজোৱা সঘনে।
জয় জয় ধ্বনি, ”জয়াসামৰাজ”
পশোক অদূৰে যবন শ্ৰৱণে ॥
দেখা দেখা সবে, যবনৰ সেনা,
হল সাৰি সাৰি সেনানী আদেশে।
মূহূৰ্ত্তেক পাছে, যবনাস্ত্ৰগণ,
পঙ্গপাল ৰূপে উড়িব আকাশে ॥
শুনা বীৰগণ, সসজ্জিত হে'ৱা
ৰণে শত্ৰুগণে পৃষ্ঠ নেদেখাবা।

স্মৰিয়া “কামাখ্যা,” “ভুবন ঈশ্বৰী,”
কেশৰী বিক্রমে শত্রুমুখে যাবা ॥
আসাম গৌৰব, আজি সংস্থাপিত
তোমাসাৰ স্কন্ধে জানিবা নিশ্চয়।
স্বাধীনতা কিম্বা পৰ পদ সেবা
তোমাসাৰ অস্ত্রে হুইব নিশ্চয় ॥
যদি ৰণে ভঙ্গ, কাপুৰুষ হেন,
দিয়া আজি সবে যবনাস্ত্র বলে।
গৌৰবৰ ৰবি, দিনমণি সহ
চিৰদিন হেতু যাবে অস্তাচলে ॥
প্রভাতিলে ৰাতি, পুনঃ দিনমণি,
দিব আসি দেখা হাঁসি পূর্ব্বকোণে।
কিন্তু আসামৰ গৌৰব তপন
নুহুব উদয় পুনঃ তাৰ সনে ॥
পিতৃ পিতামহ বিক্রমে ৰক্ষিত
স্বাধীনতা-সূর্য্য যদি আজি যায়।
আগত ৰজনী সহ, অধীনতা-
অন্ধকাৰে দেশ গৰাসিব হায় ॥
দেশ মাত্র জয় কৰিয়া যবন
হইবেক ক্ষান্ত, নাভাবিবা মনে।

পুত্র পৰিবাৰ সবাৰো ৰক্তত
ৰঞ্জিবেক অস্ত্র দূৰাত্মা যবনে ॥
ধৰা বীৰগণ দৃঢ় মুষ্টি কৰি
ৰণ-অস্ত্র যত ; কৰিও হুঙ্কাৰ।
দেহে তেজ স্রোত লভোক উষ্ণতা
নাচোক ধমনি প্রত্যেক সেনাৰ ॥
পৰাস্তি যবন, কামাখ্যা কৃপায়
কৰিবোঁ সবাক বন্দি কাৰাগাৰে।
নীলাচলে নিয়া, দেবীৰ চৰণে
দিবোঁ বলিদান হৰ্ষ সহকাৰে।

---

## কৌশল্যাৰ ওচৰত ৰামৰ বিদায়।

কৌশল্যা মন্দিৰে পাছে কৰিলা প্ৰবেশ
বীৰশ্রেষ্ঠ ৰামচন্দ্র ; দেখিলা, আনন্দে
আছয় মহিষী তাত শুভ কাৰ্য্য ক[illegible]
ফুল মালা ধূপ দীপ প্ৰসাদ দুগধ
ৰজত সুবৰ্ণ পাত্রে লই ৰাজৰাণী,
উপবাসে, ধৌতবাসে দেহক আবৰি,
পুত্রৰ মঙ্গল হেতু আনন্দ হৃদয়ে,

কৰন্ত স্বৰ্গীয় দেবী লক্ষ্মী উপাসনা।
দেখিলেক ৰাণী আসে হৃদয়ৰ প্ৰিয়
ৰঘুকুল শিৰোমণি আত্মজ শ্ৰীৰাম ;
হৰিণী দৰ্শিয়া যেন বহুদিন পাছে
নিজৰ বৎসক, ধাৱে হৰ্ষে তাৰ পাশে,
ধাইলা সিৰূপে দেবী নন্দনক দেখি,
ধৰিলা সাবটি তাক মৃণাল বাহুৰে ;
শিৰে চুমা দিয়া পাছে কৈ'লা আশীৰ্ব্বাদ,
"চিৰজীবি হোৱা, পুত্ৰ ; ৰাজলক্ষ্মী আই
কৰোক কল্যাণ ; যত আন দেবী দেৱ,
মোৰ বৰে হোক সবে প্ৰসন্ন তোমাত।
পিতৃদত্ত সিংহাসন অৰোহিয়া আজি,
মনবাঞ্ছা সিদ্ধি, পুত্ৰ, কৰিও সবাৰ।"
ৰামদৰ্পহাৰী ৰাম কহিবে লাগিলা
চাই জননীৰ মুখ, সনম্ৰ বচনে,
"হে মাতঃ! ঘটিল আজি অশুভৰ ভাব
মোৰ হেতু ; সব কাৰ্য্য হল বিপৰীত
বিধিৰ বিপাকে ; পিতৃদত্ত সিংহাসন
নুহিলেক মোৰ ; ৰাজা দিলা ৰাজ্যভাৰ
ভাই ভৰতক। মই যাবোঁ বনবাসে

পালিয়া পিতৃৰ আজ্ঞা ; দণ্ডক কাননে
কৰিবোঁ বসতি, ভক্ষি বন ফল মূল
তপস্বী আহাৰ, বন-তপস্বীৰ বেশে
কটাবোঁ নির্জ্জনে থাকি দ্বিসপ্ত বৎসৰ।”

পুত্ৰ বনবাস ৰূপ ইদাৰুণ কথা
বাজিলেক শেলবৎ কৌশল্যা হৃদয়ে ;
ঘুৰিলা মেদিনী যেন ঘুৰিলা আকাশ,
সব অন্ধকাৰময় ; পড়িল ভূতলে
হুয়া অচেতন ৰাণী, শাল বৃক্ষ জোপা
ছেদিলে পড়য় যেন অকস্মাত বনে।
ৰাণীক তুলিয়া ৰাম মূছিলন্ত ধূলা
চেতন কৰিলা ধীৰে বতাস কৰিয়া।
শোকাকুলা ৰাণী পাছে কৰিলা উত্তৰ
সম্বোধিয়া নন্দনক “হা পুত্ৰ! গৰ্ভত
নজন্মিলা হয় যদি এই অভাগীৰ,
ঘোৰ কষ্ট ইটো আজি নাপাওঁ মনত।
যি সবাক ঘৃণিছিলোঁ, সি সবাক এবে
সেবিব লাগিব মই মুখ্যাৰাণী হুয়া।
হাঁসিবেক আজি হন্তে বিদ্ৰূপিয়া মোক
অনৰ্থৰ হেতু দুষ্টা কৈকেয়ী সপিণী,

হৃদি বিদাৰিব আৰু কৰ্কশ বচনে
হুইয়া কনিষ্ঠা। মোৰ যত দাস দাসী
সেৱে এহি পদ এবে ভয় ভয় চিতে,
সি সবেও হাঁসিবেক তোমাৰ বিহনে।
ভাবিছিলোঁ, শিশুকালে দৰ্শি তব মুখ
পূৰ্ণ শশিকলা সম, দুঃখ অৱসান
হুব এক দিন মোৰ, হবোঁ ৰাজমাতা ;
কিন্তু সেহি আশালতা ছিন্ন হল আজি।
কত শত দেবী দেৱ পূজিলোঁ যতনে,
উপবাসে জাগৰণে মঙ্গলৰ হেতু ;
অসংখ্য কৰিলো দান ; তাৰ কিবা এবে
ফলিল ইফল, পুত্ৰ, তুমি যোৱা বনে ?”
এতেক কহিয়া পাছে বিদগ্ধ অন্তৰে
নিৰবিলা ৰাণী, দীৰ্ঘ নিশ্বাসিলা ঘনে ;
সুন্দৰ কমল মুখ তিতাইয়া, বেগে
নেত্ৰ হন্তে অশ্ৰুধাৰ লাগিল বহিবে।

ৰাণীৰ ক্ৰন্দন দেখি কহিলা লক্ষ্মণ
ৰাঘৱ অনুজ, ক্ৰুদ্ধ চিত্ত হুয়া, “কথা
নোহে ইটো মনোমত মোৰ, হে জননি !

দাশৰথি প্ৰবেশিব নিৰ্জ্জন কাননে,
ত্যজি সুখ ৰাজ্যভাৰ বন্ধুজন আদি।
বাৰ্দ্ধক্যে দুৰ্ব্বদ্ধি অতি ঘটিছে ৰাজাৰ;
পাচন্ত যিৰূপে দুষ্টা কৈকেয়ী অনাৰ্য্যা,
কৰয় সিৰূপ কাৰ্য্য, নাহি জ্ঞানাজ্ঞান।
দ্বিতীয় বালকাৱস্থা প্ৰাপ্ত নৰপতি;
নহলে পাসৰি প্ৰিয় পুত্ৰৰ বদন
বনবাস ৰূপ আজ্ঞা কৰিবেক কিয় ?
জ্ঞানান্ধ পিতাৰ হেন আজ্ঞা পালিবেক
কোন্ পুত্ৰে ? নেতেজিবা ৰাজ্যভাৰ, দাদা ?
লোৱা ৰাজ সিংহাসন ! কাক্ উপৰোধা ?
বাধিবেক কোন জন আমি দুয়ো সনে ?
অধিক কহিবোঁ কিবা মৃত্যু অধিকাৰী
আসন্ত সাক্ষাতে যদি, নয়ন ভ্ৰূকুটি
দেখি পলাইব ডৰি। কোন জন, কোৱা,
কোন্ জন ৰণিবেক আমি দুয়ো সনে ?
মোৰ ভীম বাহু দাদা উদ্যত সতত
তোমাৰ সাহায্য হেতু। হে ৰাজমহিষি!
ধনুৰ্ব্বাণ হাতে মই দিব্য কৰি কহোঁ,
আছয় অন্তৰে হেন দৃঢ় স্নেহ অতি

দাদাক লাগিয়া মম ; আসোক জীৱন
আসোক মৰণ কিম্বা, প্ৰবেশিবোঁ অগ্নিত ;
নকৰিবো ভয়, লাগে পশিবোঁ অগ্নিত ;
তথাপি নেড়িবোঁ প্ৰেম মোৰ ভ্ৰাতৃ প্ৰতি।
আজ্ঞা পাওঁ যদি, মোৰ স্নেহৰ পৰীক্ষা
দিওঁ, দেখাওঁহেঁা বল, শত্ৰুগণ খণ্ডি
আছয় তোমাৰ যত ; সব দুঃখ দূৰ
হুইবেক, দেখি, মোৰ, ভীম পৰাক্ৰমে,
হোৱয় শৰ্ব্বৰী যেনে বেগে বিদূৰিতা
দিলে দিনমণি দেখা উদয়-অচলে।"

"শুনিওক ৰামচন্দ্ৰ হৃদয়ৰ মণি
মোৰ," উত্তৰিলা দেবী কোশল নন্দিনী
সজল নয়নে, "শুনিওক কহে কিবা
অনুজ লক্ষ্মণে তব। আজ্ঞা অনুগত
হুয়া মোৰ সতিনীৰ,—যি তোমাক ঘৃণা—
সাধিবা কি বাঞ্ছা তাৰ, বধিবা কি মোক ?
পিতৃবাক্য হেতু যদি উচিত হোৱয়
মান্য তব ; কোৱা পুত্ৰ, নোহে কিবা সিটো
উচিত আমাৰ প্ৰতি ? লঙ্ঘি বাক্য মোৰ
পালিবা কি মাত্ৰ তব পিতাৰ বচন ?

ৰাম ! তুমি বিনে মোৰ দিৱসে আন্ধাৰ,
জীৱনে মৰণ তুল্য ; কিন্তু তব মুখ
পূৰ্ণ সুধাকৰ সম দৰ্শিয়া থাকিলে,
স্বৰ্গ সুখ অনুভৱ হোৱে সদা মোৰ
এ'হি হৃদয়ত, মুখে সুমিস্ট লাগিবে
ঘাঁসকো ভক্ষিলে। পিতৃ মাতৃ উভয়ৰ
পালিবে লাগয় বাক্য পুত্ৰে সমভাৱে ;
পালিও এতেকে, ৰাম, পিতৃৰ বচন
ত্যজি ৰাজ্যভাৰ ; পালা মাতৃৰ আদেশ
গৃহত থাকিয়া তুমি নাযাইয়া বনে।
মোৰ বক্ষৰূপাকাশে থাকি চন্দ্ৰৰূপে
তোষিও, হে ৰঘুমণি, সীতা কুমুদিনী
লক্ষ্মণ চকোৰে আৰু ; অন্ধকাৰ ৰূপ
যত দুঃখ আমাসাৰ কৰিও বিদূৰ।
মোৰ এহি বাক্য, ৰাম, নধৰা যদ্যপি
অৱহেলি, যোৱা বনে নুশুনা কাকুতি,
মৰিবোঁ নিশ্চয় ঘোৰ পাবকে প্ৰৱেশি
কিম্বা' ডুবি জলে। তব গাৱে লাগিবেক
মাতৃবধ পাপ ; ৰাম, থাকিবে জগতে
কুযশ তোমাৰ ইটো ; মাতৃবধী বুলি

নিন্দিবেক লোকে ; আৰু মৰণৰো পাছে
হুইব তোমাৰ, পুত্ৰ, নৰকত গতি।”
“ক্ষমিও জননি মোক,” উত্তৰিলা ৰাম
তাড়কাৰি, “লঙ্ঘিবাক পিতৃ আজ্ঞা মোৰ
নাহিকে শকতি ; মই দণ্ডৱত কৰোঁ
কৰপুটে তব পদে, ক্ষমিওক মোক,
মাতঃ যাওঁ বনবাসে। চিৰকাল হেতু
নোহে এহি বনবাস ; বৰ্ষ চতুৰ্দ্দশ
হুইলে অতীত, গৃহে আসিবোঁ পুনৰ,
পাইবা জননি মোক। এতেকতে দেবি
স্থিৰ কৰা চিত্ত তব, নকৰিও দুঃখ।
আজ্ঞা কৰা মাতঃ, দিয়া হৰিষে বিদায়
আশীৰ্ব্বাদি মোক ; আজি যাওঁ বনবাসে।”
“ৰঘুকুল শিৰোমণি,” কহিলা কৌশল্যা
সজল নয়নে দেবী অতি সকাতৰে,
“বীৰশ্ৰেষ্ঠ ৰাম ! যদি নুশুনা প্ৰাৰ্থনা
মোৰ, যোৱা তবে বনে। কৰোক কল্যাণ
সৰ্ব্ব দেৱ দেবী, পুত্ৰ, হওক সহায়
নিঃসহায় তব, ঘোৰ অৰণ্যৰ মাজে।
বিশ্বামিত্ৰ দত্ত তব ভীম শৰাসন

দুৰ্জ্জয় অছেদ্য, তীক্ষ্ণতৰ অস্ত্ৰাঘাতে
ৰক্ষোক বিৰোধে তব শত্ৰুগণ সহ।
অষ্টলোকপাল, পুত্ৰ, ৰক্ষোক তোমাক ;
ৰক্ষোক পাৰ্ব্বতী ভীমা নৃমুণ্ডমালিনী ;
ব্ৰহ্মা বিষ্ণু মহেশ্বৰ চন্দ্ৰ সূৰ্য্য গ্ৰহ
লক্ষ্মী সৰস্বতী আদি যত দেৱ দেবী
মোৰ আশীৰ্ব্বাদে সবে কৰোক মঙ্গল
সকলো বিপদ ভঞ্জি অৰণ্যৰ মাজে।
ৰাক্ষস পিশাচ প্ৰেত যত নিশাচৰ,
ব্যাঘ্ৰ সিংহ সৰ্প আদি ষাৰণ কুম্ভীৰ
যত হিংস্ৰ প্ৰাণী আছে, কোনেও তোমাক
স্পৰ্শ নকৰোক ; যেন গুৰু বৃহস্পতি
থাকিয়া সতত সঙ্গে কৰোক মঙ্গল।
চতুৰ্দ্দশ বৰ্ষ আৰু ৰহয় পৰাণ
যদি মোৰ দেহে, পুনঃ দেখিবোঁহোঁ তবে
কমল বদন তব। পুনঃ আশীৰ্ব্বাদোঁ
মই, হোক মনবাঞ্ছা নিৰ্ব্বিঘ্নে সফল,
যে'ৱা পুত্ৰ বনে মোৰ হৃদয়ৰ ধন,
যোৱা বীৰবৰ ; আজি সমৰ্পিলোঁ হায়
তোমাক অদৃষ্টহাতে ; ৰক্ষোক দেৱতা

সবে, মোৰ আশীৰ্ব্বাদে, বিজন কাননে।”
প্ৰণমিলা ৰামচন্দ্ৰ ভূতলত পড়ি
দেবী কৌশল্যাক, স্নেহে চুম্বিলা চৰণ
দুটী, অতি সমাদৰে ; লইয়া বিদায়
চলিলা সুশীঘ্ৰে প্ৰিয়া সীতা সম্ভাষণে।

---

## ভাৰতৰ প্ৰতি প্ৰশ্ন।

আজিও ভাৰত তব আছে পূৰ্ব্ব শোভা।
আজিও মস্তকোপৰে,  ৰবি শশী দিনে ঘূৰে,
আজিও নক্ষত্ৰ ধৰে ৰূপ মনোলোভা॥
শত শত মেঘগণ,  হোৱে শূন্যে ভাসমান,
আজিও চপলা নাচে হাঁসি হাঁসি মুখে।
আজিও নীৰদ নীৰে,  তব দেহ সিক্ত কৰে,
তৃণ লতা পায় বল, ফুলে মনসুখে॥
আজিও নিকুঞ্জবনে,  গাৱে গীত পক্ষীগণে,
আছে সৰ্ব্ব পূৰ্ব্ব শোভা নেদেখোঁহো ত্ৰুটি।
তবে কিয় শোকান্বিত,  দৰ্শোঁ হে ভাৰত মাতঃ!
তোমাৰ বদন ; কিয় বিচলিত মতি ?

আজিও সে হিমগিৰি, শিৰ আবৰণ কৰি,
তোমাক সাবটি ধৰি দিয়াছে অভয়।
আজিও বাৰিধি বাৰি, তব পদাম্বুজ ধৰি,
আছে যথা ছিলা পূৰ্ব্বে চিত্ত হৰ্ষময়॥
আজিও সমুদ্ৰ জল, ক্ষণে কৰে টল বল,
আজিও নাচিছে তথা শত ঊৰ্ম্মিমালা।
গঙ্গা সিন্ধু ব্ৰহ্মপুত্ৰ, ব্ৰাহ্মণৰ যজ্ঞ সূত্ৰ
যেন, শোভে দেহে, কৰি তোমাক উজলা॥
আজিও হস্তিনাপুৰ, অঙ্গ বঙ্গ মহীশূৰ,
কলিঙ্গ প্ৰয়াগ আছে চিতোৰ নগৰী।
শ্ৰীকৃষ্ণৰ প্ৰিয় বন, আছে সিটো বৃন্দাবন,
আছে সূৰ্য্যবংশ ৰাজ্য অযোধ্যাৰ পুৰী॥
আছে সব তীৰ্থ স্থান, কৰে যাত্ৰী তাত স্নান,
আছে দেবালয়গণ শোভা কৰি দেশ।
তবে কিয় মাতঃ তব, নোহে সুখ অনুভব,
কি কাৰণে দৰ্শোঁ তব কাঙ্গালিনী বেশ?
শীৰ্ণ তব কলেবৰ, নাহি বস্ত্ৰ শোভাকৰ,
ৰমণী-বাঞ্ছিত নাই অঙ্গৰ ভূষণ।
কিবা হৃদয়ৰ মণি, হেৰুয়াই যেন ফণী,
হলা তুমি পাগলিনী, বিকৃতিলে মন?

কোৱাহে জননি মোক, কি কাৰণে কৰা শোক
কিয় যুগ নেত্র কোণে বহে জলধাৰ ?
তোমাৰ দৰ্শিয়া দুঃখ, জ্বলে ই হীনৰ বুক,
নসহয় প্ৰাণে আৰু ইটো দুঃখভাৰ ॥

---

## কেৰাণী বাবু।

( ১ )

কোন সিটী বসি চেয়াৰ আসনে,
সন্মুখ টেবিলে ফুল্‌স্কেপোপৰে,
মধ্য বৃদ্ধ আৰু তৰ্জ্জনী অঙ্গুলে,
ধৰিয়া লেখনী চলাই যায় ?
কোন্ সিটী হায় তুচ্ছি গ্ৰীষ্মবল,
বাম হাতে ধৰি ৰুমাল বিচিত্ৰ
মচি ক্ষণে ক্ষণে মুখ ঘৰ্ম্মজল,
কাগজ তুলিব বিবাদ চায় ?

( ২ )

সিজন কেৰাণী-বাবু নামে খ্যাত,
কৰে ৰাজ কাজ ৰাজাৰ অ'ফিচে ;

আজি মাস শেষ হল উপস্থিত
বহুত কাৰ্য্যৰ পড়িছে ভিৰ।
সন্ধ্যা হোক কিম্বা হওক ৰজনী,
কৰিব লাগিব সমুদায় কাজ
হুয়াছে হুকুম ; সিহেতু লেখনী
পৱনৰ বেগে চলায় বীৰ॥

( ৩ )

লৰা লৰি কৰি কৰিয়া ভোজন,
( ধূমপায়ী বাবু ধূম পান কৰা
হল কি নহল ), ভয় ভয় মন
পাছে জানোঁ হয় অনুপস্থিত।
হুইলে সিৰূপ আছে জৰিমানা,
আছে চকুৰঙ্গা ওপৰ-আলাৰ,
ইসব ঝন্‌ঝাট্ আছে বাবু জানা,
আফিচে সিহেতু শীঘ্রে উপনীত॥

( ৪ )

বাটত আসোঁতে খোজৰ তৰণি
নাছিলে বাবুৰ, কোনোৰূপে হায়
এঘাৰ বজাৰ আগে অল্পখিনি
হেঁফাই হেঁফাই আফিচে আসি।

হাতে যেনে তুলি ধৰিছে তুলিকা,
আৰু দৃক্‌পাত নাহি কোনো দিশে,
চলাইছে তুলি জীবিকা-দায়িকা,
বিলাতি আসন ওপৰে বসি ॥

( ৫ )

অবিশ্ৰান্ত আজি তুলিকা চালন,
নাহিকে বাবুৰ ক্ষণ অৱকাশ ;
নাহি অৱকাশ কৰিবে মোচন
ঘৰ্ম্ম দৰ দৰি বদনে ভাসে।
মন্‌থ্লি ৰিটৰ্ণ্ পঠাব লাগিব
ওপৰ-আলাৰ হুইছে হুকুম ;
নাহি হেন পৰ বাক্যদান দিব,
নাযাবা নাযাবা তাহাৰ পাশে ॥

( ৬ )

সক্ৰোধ মূৰতি কৰিছে ধাৰণ,
যাইবে ওচৰে সাহস নোহোৱে,
দূৰৈতে বিদূৰ কত ক্ষুদ্ৰ জন ;
অবিশ্ৰান্ত বাবু চলায় “পেন” ।
নাহি আনোপায়, তুলি ব্যৱসায়,
নচলালে তুলি আছে কি উপায়

পাছে শ্বেত কৰ্ত্তা ৰঙ্গামুখে চায়,
“নেটিব নিগাৰ” বোলয় “ডেম”

( ৭ )

আসন বিলাতি, টেবিল বিলাতি,
বিলাতি কাগজ, বিলাতি লেখনী,
মহীও বিলাতি, লেখাও বিলাতি
আনন্দ অপাৰ বাবুৰ মনে।
সেইৰূপে হায় সময়ে সময়ে,
বিলাতি কৰ্ত্তাৰ বিলাতি বচন
“নন্‌চেন্স্” “ফুল” বাজয় হৃদয়ে
ধন্য কিন্তু বাবু পাসৰে ক্ষণে॥

( ৮ )

নাপাহৰিয়েবা কি কৰিবা, বীৰ।
লেখনী মহাস্ত্র চলোৱা বাহিৰে,
জীৱন ধাৰণ হেতু আনোপায়
নাহিকে জগতে জানিছা, বাবু।
অথবা তোমাক নিন্দিলে কি হব?
মুক্তকণ্ঠে কওঁ তোমাৰে নেছেনা
আমিও; আমাৰো, যি দশা তব;
আমিও তোমাৰে নেছেনা বাবু॥

# মোৰ প্ৰতি বিদ্ৰূপ।

বিদ্ৰূপ কৰয় মোক সমস্ত জগত।
নুশুনে করুণস্বৰ,
হাঁসে মাত্ৰ নিৰন্তৰ,
উপায় নেদেখোঁ মোৰ, ভীষণ সঙ্কট॥

এহি তাৰাগণ হুয়া উদিত গগনে।
অন্তৰে গৰল ধৰি,
মুখ হাস্যময় কৰি,
বিদ্ৰূপি হাঁসিছে মোক আনন্দিত মনে॥

বামন হুইয়া যেন শশী পৰশন
হেন মোৰ আশা দেখি,
আকাশে জোনাকী উঠি,
অঙ্গ ভঙ্গি কৰি কৰে বিদ্ৰূপ বৰ্ষণ।

ঘনঘটা ক্ৰোড়ে নাচে সৌদামিনী ঘনে,
মেঘ কৰে গৰজন,
দেখি বৰ্ণে কবিগণ,
"সম্ভাষে প্ৰিয়াক মেঘ প্ৰিয় সম্ভাষণে॥"

আমি ভাবোঁ অন্যৰূপ, যেন মেঘগণ
ধৰি কৃষ্ণবৰ্ণ দেহ,
কৰি জিহ্বা লহ লহ,
কৰে বিভীষিকা মোক ক্ৰোধে প্ৰদৰ্শন।

পক্ষীৰ অব্যক্ত স্বৰ, বীণাস্বৰ সম
ভাবে সব নৰগণে ;
কিন্তু লৰে মোৰ মনে,
বিহগে বৰষে গালি আমাক বিষম।

পেঁচক ভ্ৰূকুটি কৰে, হাঁসে পুষ্প দামে।
সমীৰে উড়ায় ধূলি,
দিয়ে মোৰ দেহে তুলি ;
কৰয় লাঞ্ছনা সবে এই ভবধামে॥

কতনো বিদ্ৰূপ মোৰ সহিব পৰাণ।
ঘূৰাওঁ যি দিশে নেত্ৰ,
বিদ্ৰূপ দৰশোঁ মাত্ৰ,
ৰিষম পৰাণ মোৰ গলে পাওঁ ত্ৰাণ॥

## তিৰস্কাৰ।

পুত্ৰগণ,—ছি ছি মোৰ পুত্ৰ সম্বোধন
অযথা প্ৰয়োগ মাত্ৰ তোসবৰ প্ৰতি—,
কুলাঙ্গাৰগণ ! মেলি মূদ্ৰিত নয়ন,
দেখ্ একবাৰ বৃদ্ধা মাতৃৰ কি গতি।

থাকিবি নিদ্ৰিত কিবা চিৰদিন হেতু ;
হায়ৰে কপাল ! সবে লভিলি মৰণ ;
জীৱন প্ৰবাহ কিবা নবহে শৰীৰে ?
ধিক ধিক শতধিক তোসব জীৱন।

থাকোঁতে তোসব, মোৰ, হেৰ ভীৰুগণ।
শিৰত পাদুকাভাৰ, চৰণে শৃঙ্খল।
ক'তেবা সিদিন হায় ক'তেবা ইদিন,
ক'ত স্বৰ্ণসিংহাসন ক'ত পদতল।

তোসব কাৰণ মোৰ ক্ৰমে এহি দশা,
তোসব নিমিত্তে বহে সদা নেত্ৰবাৰি ;
তোসব থাকোঁতে মৰোঁ উদৰ জ্বালাত ;
ধিক হেন পুত্ৰগণে জননীৰ অৰি।

সবেও বিজাতি মাত্র জন্মিলি উদৰে,
বিজাতি স্বভাব আৰু বিজাতি কৰম ;
পোকৰ উদ্ভব যথা আমৰ ভিতৰে,
অথবা মনুষ্যোদৰে ক্রিমিৰ জনম।

বাহিৰে নিঘূ্র্ণ আম, আচৰিত কথা
কিৰূপে জনম লভে কীট তাৰ মাজে ;
আচৰিত কথা, আৰু মানব উদৰে
অতি দীৰ্ঘাকাৰ ক্রিমি কিৰূপে ওপজে।

ইসবকো পাওঁ ; কিন্তু অতি আচৰিত
নিৰ্ম্মল পবিত্র খ্যাত এহি আৰ্য্যকুলে,
কিৰূপে তোমৰ সম ভয়ে সঙ্কুচিত
নাৰকী তনয়গণ জনম লভিলে।

জন্মিলি পাপিষ্ঠগণ যদি হেন কুলে,
কিয় তবে কুলোচিত নাই ব্যৱহাৰ ?
অথবা, আমজ পোক আমৰ নেছেনা
হোৱে কি ? ধৰে কি ক্রিমি নৰৰ আচাৰ ?

দেখ্ দেখ্ দেখ্ সবে নয়ন মেলিয়া,
দেখ্ দেখ্ ভীৰুগণ,—দূৰত থাকিয়া,

যদি লাগে মনে ভয়—, দস্যুগণ সৈয়া
কিৰূপে সৰ্ব্বস্ব মোৰ লইছে হৰিয়া।

পূৰ্ব্ব পুত্ৰগণ তেজে জগতে পুজিতা
আছিলোঁ, আছিল দেহে ৰত্ন অলঙ্কাৰ ;
বসিছিলোঁ উচ্চাসনে হুয়া হৰষিতা,
হেম মণি মুক্তা পূৰ্ণ আছিল আগাৰ।

তোসব জহত কিন্তু গল সেহি দিন,
গল সব সুখ, এবে মলিন বদনী,
জীৰ্ণ বাস পৰিধান, দেহ মন ক্ষীণ ;
দেখ্ এবে আমি হায় পথ কঙ্গালিনী॥

কি দেখিবি ? সবে অন্ধ, নয়ন থাকোঁতে ;
শুনিবি কাকুতি কিবা ? বধিৰ শ্ৰৱণ ;
কৰুণ বচন মোৰ তোসব নিকটে,
ঠিক মাত্ৰ অভাগীৰ অৰণ্যে ৰোদন ?

জানিবি নিশ্চয় সত্য দৈববাণী প্ৰায়,
যিৰূপ প্ৰকৃতি সবে কৰিছ ধাৰণ,
কোনোকালে তোসবৰ নুহুব উদ্গতি,
সেবিলি সেবিছ পৰে, কৰিবি সেবন।

ধৰিছিলে যেহি গুণ পূৰ্ব্ব পুত্ৰগণ,
যি শক্তি সিসব দেহে আছিল সঞ্চাৰ,
যিটো কণ্ঠমণি হায় ৰাখিবাক হেতু
জীৱন উৎসৰ্গিছিলে যুজিয়া অপাৰ,

ক'তা সেই গুণ, শক্তি, তোসব শৰীৰে ?
সেই কণ্ঠমণি হেতু ক'তা আকিঞ্চন ?
আকিঞ্চন তোসবৰ মাত্ৰ নিদ্ৰা হেতু,
আকিঞ্চন তোসবৰ চৰণ লেহন।

তোসব জন্মিলি এবে যি গৰ্ভে আমাৰ,
সেই গৰ্ভে জন্মিছিলে পূৰ্ব্ব পুত্ৰগণ ;
কিয়নো প্ৰভেদ যেনে শৃগাল কুঞ্জৰ
তোসব সিসবে তবে কৰোঁ দৰশন ?

কিয় নাই সম তেজ বিক্ৰম মহত্ত্ব,
কিয় কণ্ঠমণি হেতু নাই আকিঞ্চন
কিয় নাই সম ভক্তি জননীৰ প্ৰতি ?
বিপৰীত কাৰ্য্য দেখি কওঁ সিকাৰণ,

সবেও বিজাতি মাত্ৰ জন্মিলি উদৰে,
বিজাতি স্বভাব আৰু বিজাতি কৰম ;

পোকৰ উদ্ভব যথা আমৰ ভিতৰে,
অথবা মনুষ্যোদৰে ক্রিমিৰ জনম।

বাহিৰে নিঘূর্ণ আম, আচৰিত কথা
কিৰূপে জনম লভে কীট তাৰ মাজে ;
আচৰিত কথা, আৰু মানব উদৰে
অতি দীর্ঘাকাৰ ক্রিমি কিৰূপে ওপজে।

ইসবকো পাওঁ ; কিন্তু অতি আচৰিত
নির্ম্মল পবিত্র খ্যাত এহি আর্য্যকুলে,
কিৰূপে তোসব সম ভয়ে সঙ্কুচিত
নাৰকী তনয়গণ জনম লভিলে।

---

## কাকো চিনিব নোৱাৰি।

বিচিত্র জগত গতি, নুবুঝোঁ কাহাৰো মতি,
ছদ্মবেশধাৰী লোক, অভেদ্যাবৰণ।
পাইও নয়ন যুগ, দৰশনে অপাৰগ,
নোৱাৰোঁ চিনিব নেত্রে কোন কেনে জন॥
যাহাক ধার্ম্মিকবৰ, বোলে নৰ নিৰন্তৰ,
সুধীৰ গমন যাৰ গম্ভীৰ স্বভাব।

দেখিও অন্তৰ তাৰ, কুকৰ্ম্মত অনিবাৰ,
থাকে লিপ্ত, মনে নাই লেশ ধৰ্ম্মভাৱ ॥
কোনো জন সভ্য অতি, ধীৰ জ্ঞানী শুদ্ধমতি,
কাৰ্য্যত দেখিবা কিন্তু অতি বিপৰীত।
ভাবিছা সৰল কাকো, যেন নাজানয় একো,
কাৰ্য্যে দেখা তাৰ সম নাই বক্ৰচিত ॥
যিজনক বন্ধু বুলি, লোৱা তব হৃদে তুলি,
সম্ভাষা যাহাক তুমি আলিঙ্গন দানে।
সেহি জন এক দিন, কাৰ্য্যত দেখায় ভিন,
বন্ধুত্ব পোতক হায় তোলে পাৰ্য্যমানে ॥

---

## সীতাহৰণ কাব্য। *

(প্ৰথম সৰ্গ)

লক্ষ্মণ সীতাৰ সহ, পিতৃ সত্য পালি,
দাশৰথি ৰঘুপতি পঞ্চবটী বনে

---

* এই কবিতাৰ প্ৰথম সৰ্গ খণ্ড খণ্ড ৰূপে পূৰ্ব্বে "আসাম বিলাসিনী" পত্ৰিকাত প্ৰকাশিত হইছিল, ইয়াত তাৰে এক খণ্ড উদ্ধৃত কৰা হল।

তপস্বীৰ বেশে, ভক্ষি বন্য ফল মূল
তপস্বী-আহাৰ, যবে ছিলা বনবাসে ;
কিৰূপে ৰাৱণ বলী লঙ্কা-অধিপতি
হৰিলা জনক সুতা,—যিটো অপৰাধে
মৰিলা সবংশে পাছে ৰাক্ষস-ঈশ্বৰ
দেৱকুল অৰি—সেহি ৰামায়ণ গীত
গাইবে বাঞ্ছিছোঁ আমি মূঢ় অকিঞ্চন
অমিত্ৰ-অক্ষৰ ছন্দে, হে মাতঃ বাগ্দেবি!
যি ছন্দে গাইলা বহু মধুময় গীত
তব অনুগ্ৰহে, অতি প্ৰিয় পুত্ৰ তব
শ্ৰীমধুসূদন বঙ্গ কবিকুল মণি।
অতি দূৰাকাঙ্ক্ষা কিন্তু কৰিছোঁ মনত
হীন আমি, শ্বেতভুজে! অবুজ অন্তৰে
কিয় হল হেন ইচ্ছা নাজানোঁ কাৰণ।
সুদূৰ আকাশ স্থিত নক্ষত্ৰক দেখি,
উঠিবে ইচ্ছয় ক্ষুদ্ৰ খদ্যোত পিপৰা
নিজ তেজ প্ৰকাশিয়া অতি গৰ্ব্ব মনে ;
কিন্তু ক্ষুদ্ৰদেহী প্ৰাণী হীনবল অতি,
ইচ্ছিলে কি হুব ? পাছে অপাৰগ হৈয়া
সলজ্জ অন্তৰে হায় অধোগামী হোৱে।

আমিও কৰিছোঁ, দেবি, সিমত দুৰাশা,
দেহে কিন্তু নাহি বল, নাহি কোনো গুণ;
হাঁসে কিবা বুধজন বুদ্ধিহীন মোক
ইভয়ে কম্পিত হিয়া, লেখনী স্থগিত।
কৰিও কৰুণা মূৰ্খে মূৰ্খতা-নাশিনি!
দয়াময়ি! দীন জনে কৰিওক দয়া।
কি জানোঁ ভকতি তব শ্ৰীপদ পঙ্কজে
আমি অপদাৰ্থ দাস? কি বুজোঁ অবুজে
অনন্ত মহিমা তব, অনন্তৰূপিনি!
দিয়া পদ ছায়া, মাতঃ গাওঁ আমি ৰচি
বৈদেহী হৰণ গীত, তব অনুগ্ৰহে।

প্ৰভাতিলা নিশা। উষা আশুগতি ধৰি
আসিলা; কুৰুলি দিলা সুদীৰ্ঘে পেঁচক;
বায়স কৰিলা 'কা কা'; যেন হেৰুৱাই
লঙ্কা, লঙ্কা-প্ৰিয়-পক্ষী কুক্কুট পুছিলা
'লঙ্কাপুৰ ক'ত বুলি', গাইলা চৌদিশে
প্ৰভাতীয় গীত যত প্ৰভাতী বিহগ;
বৃকধুৰ্ত্ত দল দিল হুৰাধ্বনি দূৰে।
উদিলা আদিত্য দেব উদয় অচলে
উজলি শিখৰ শিৰ, পৰে তৰুশিৰ

সুউচ্চ, অনুচ্চ পৰে ; পৰে লতা বন,
ক্ৰমে ধৰাতল পাছে ; ৰজতৰ বিভা
শোভিল জগৎ যুৰি। ডৰি বিভাবৰী
বিভা বৈৰী দৰশনে, পলাল অন্তৰে ;
কন্দৰে তিমিৰমালা লুকাল তৰাসে।
প্ৰভাতে প্ৰক্ষালে যথা নিদ্ৰা পৰিহৰি
নিজ নিজ মুখ নৰ ; ধুইলা সিমত,
( শ্ৰেষ্ঠজনে অনুকৰা অশ্ৰেষ্ঠৰ ৰীতি ),
বিটপী ব্ৰততী তৃণ যতেক কাননে
আনন্দে আনন নিজ নিশিৰ নিয়ৰে।
প্ৰফুল্ল প্ৰসূনৰাশি,—প্ৰফুল্ল বান্ধব
বান্ধব-মিলনে যথা,—হাসি মধুহাসি
দৰ্শে দিনবন্ধু মুখ ; দেখি দিনবন্ধু
মুছিলা বদন-বাৰি আদৰে সবাৰ
প্ৰসাৰি সহস্ৰ কৰ ; দীনবন্ধু যথা
কৰয় আদৰ দীনে। কুসুম বদন-
হাসি নিঃসৰিত মধু লোভে লোভী যত
গুঞ্জৰি মধুপ পুঞ্জ উড়িলা চৌদিশে

---

বিভা বৈৰী,—পোহৰ ৰূপ শত্ৰু।
দীনবন্ধু,—দৰিদ্ৰৰ বন্ধু, দাতা।

চুম্বি প্ৰতি পুষ্পানন। স্বাৰ্থপৰ অলি
পীয়ে মধু, বঞ্চি আনে ; দেখিয়া সমীৰ
উদাৰ উজাৰি পুষ্প-পৰিমল-মধু
বিলাইলা, দাতা যথা, সৰ্ব্বজীৱগণে।
পুলকিত প্ৰাণী যত মধুৰ আঘ্ৰাণে।
কুহৰিলা পিককুল ; গাইলা শালিকা
খেলিমেলি গীত ; প্ৰিয়বিৰহ কাতৰা
কেতকী বিনালা ঘনে 'কেতকি কেতকি'
গহন কানন মাজে ডাকিলা সুধাৰে
'সহদেৱ সহদেৱ' সহদেৱ পক্ষী।
শিখৰে পাদপশিৰ শোভি শিখিবৰ
—কানু শিৰে চূড়া যথা—,উচ্চৰাৱ কৰি
ডাক দিলা 'ৰাম কানু', প্ৰতিধ্বনি তাৰ
ধ্বনিল গহ্বৰ থাকি। কনক মণ্ডিত
চক্ষু নেত্ৰ পদ যাৰ, বিহগী ময়না
দ্বিজধন্যা কূজনিলা। গাইলা ধনেশ
হৰিষে,—ধনেশ জন হৰষিত যথা ;
গাইলা পাৰ্ব্বত্য পক্ষী আৰু কত কত।
হায় পাৰ্ব্বতীয় শোভা কিবা মনোৰম।
বিস্তাৰি বিস্তীৰ্ণ কায়, ব্যাপি বহুস্থল,

উচ্চশিৰে ধৰাধৰ, ধৰাপতি যেন,
দৰ্শিছে চৌদিশ গৰ্ব্বে। সহস্ৰ সহস্ৰ
শিলাৰূপী-গজ-মালে আবৰিত দেহ
কোন স্থলে; কোন স্থলে, উচ্চ তৰুৰাজি,
তৃণ, পত্ৰ, লতা, বনে শৰীৰ সজ্জিত।
নিৰ্ঝৰিণী শত শত ( পাষাণ হৃদেও
থাকে দয়াময়ী মূৰ্ত্তি; সমাংস শৰীৰী
মানব নিঠুৰ কিন্তু, ধিক হেন নৰে ),
শত নিৰ্ঝৰিণী গিৰি স্ববক্ষ বিদাৰি
দিছে বহিৰ্গত কৰি, কল কল স্বৰে।
চলিছে সলিল-স্ৰোত শিলাৰাশি মাজে
ধৰি দুগ্ধ নিভ বৰ্ণ ঠেকিছে যি স্থলে।
কিমতে বৰ্ণিবোঁ শোভা? যিজন ভ্ৰমিছে
পৰ্ব্বতে, বুজে সি মাত্ৰ কি শোভা সুন্দৰ।
হায় ৰে লেখনি মোৰ, শিখৰে শিখৰে,
গিৰি পদতলে, ঘোৰ কন্দৰে কাননে,
ভ্ৰমিলি অভাগা সঙ্গে, কত কত বাৰ;
দেখিলি স্বচক্ষে শোভা; কিয় অপাৰগ
বৰ্ণিবে দেখিলি যেহি? বুজিছোঁ কাৰণ,
নাই বল দেহে, মন কি হব থাকিলে।

জানিয়া প্ৰভাত নিশি, সজীব জগৎ।
বৃক্ষে বৃক্ষে তৃণে তৃণে সুমন্দ শ্বসন
স্বনিলা ; কৰিলা বনদেৱীক ব্যজন।
ফুটিলা অসংখ্য ফুল বনৰত্নাবলী ;
সম্ভাষিলা ঘ্ৰাণেন্দ্ৰিয় প্ৰদানি সুঘ্ৰাণ,
ৰঞ্জিলা নয়ন ৰূপে। নিকুঞ্জে নিকুঞ্জে,
নিন্দিয়া মানব কৃত বাদ্যযন্ত্ৰ স্বৰ,
গাইলা বিহগগণ। হৰিণ হৰিণী।
লম্ফে জম্ফে বন মাজে কৰিলা ভ্ৰমণ।

---

## স্বপ্ন।

একদিন ৰাতি দেখিলোঁ সপোন,
দৰশিলোঁ দেশ তিমিৰে পূৰিত,
যহসা চঞ্চল হুইলেক মন
ক্ষণকতে হল চিত্ত আকুলিত।

নাহি প্ৰাণী ৰব নিৰব চৌদিশে,
চন্দ্ৰ সূৰ্য্য নাই, নাই তাৰাগণ ;
অলপো আলোক নাই কোনো দিশে,
কেৱল বিষম তিমিৰাবৰণ।

চলিলোঁ সুশীঘ্রে ( গতি অবাধিত )
জন সমাগম আশা কৰি মনে ;
ভ্রমিলোঁ আসাম, ভৈল মন ভীত
দৰশিলোঁ যবে মৃত সৰ্ব্বজনে।

চলিলোঁ মুহূৰ্ত্তে শ্রীবঙ্গ বেহাৰে,
ভ্রমিলোঁ অবাধে পঞ্জাব প্রদেশ,
—যিটো পুণ্যভূমে বীৰ দৰ্প ভৰে
কৰিছিলে আৰ্য্য প্রথম প্রবেশ।

ৰাজপুত ভূমি পড়িলা দৃষ্টিত,
যৈত ছিলা হায় ৰাজপুতগণ ;
যাৰ অসি সদা শোণিতে শাণিত,
হৰ্ষ যাৰ, পালে বৈৰী সহ ৰণ।

ভ্রমিলোঁ গুজ্ৰাট সিন্ধিয়াৰ দেশ,
বীৰনাৰী ভূমি চিতোৰ নগৰী,
ভ্রমিলোঁ সত্বৰে দক্ষিণ প্রদেশ,
সবেও নিৰ্জ্জীব আছে সবে মড়ি।

হিমাচল হন্তে কুমাৰি পৰ্য্যন্ত,
পঞ্চনদ হন্তে যথা মানস্থান,

ভ্ৰমিলোঁ দৰ্শিলোঁ দেশ আদি অন্ত
শ্মশান শ্মশান কেবলে শ্মশান।

সিয়ঁৰিল গাও উপজিল ভয়
কাক জিজ্ঞাসিবোঁ ক'ব কোন জন,
কিয় আৰ্য্যভূমি আজি তমোময়,
পূৰ্ণ মৃতদেহে, ভীষণ দৰ্শন ?

উত্তৰে হিমাদ্ৰি শৃঙ্গ উচ্চ কৰি,
দৰ্শি দেশ দশা, ( বুঝিলোঁ অন্তৰে )
অচল হুইয়া দুঃখ ভাৰ ধৰি,
কৰিছে ক্ৰন্দন বিকল চিত্তেৰে।

ব্ৰহ্মপুত্ৰ গঙ্গা সিন্ধু নাম ধৰি,
ত্ৰিধাৰ অশ্ৰু কৰি কল কল,
ভাৰতৰ দেহ চিৰ সিক্ত কৰি
পশিছে সাগৰে গতি অবিৰল।

দৰ্শিলোঁ সাগৰ ধৰি বক্ষঃস্থলে
ভাৰত তনয়া, স্নেহে দ্ৰবীভূত,
বাৰিৰূপ হায়; ক্ষণে টলমলে
হিমাদ্ৰি নিশ্বাস হুইলে পতিত।

চলিলোঁ উত্তৰে সুধীৰ গমনে,
প্ৰণমি বসিলোঁ অদ্ৰি পদতলে ;
জিজ্ঞাসিলোঁ পাছে ভয় ভয় মনে
কৰযোড় কৰি সনম্ৰে অচলে।

"কোৱা গিৰিৰাজ! উজ্জ্বল ভাৰত
তিমিৰে পূৰিত আজি কি কাৰণে,
চন্দ্ৰ সূৰ্য্য কিয় নাহি আকাশত,
কিহেতু নিৰ্জ্জীৱ দেখোঁ সৰ্ব্বজনে ?"

"অতুল ভাৰত ভীষণ শ্মশান
দৰ্শোঁ আজি কিয় ? কিবা সঞ্জীবনী
বলে দিব পাৰি সবাক পৰাণ ?
দিলা যেন প্ৰাণ অৰ্জ্জুনে অৰ্জ্জুনি।"

"হেৰ কুলাঙ্গাৰ," বুলি সম্বোধিলা
গম্ভীৰ নিনাদে গিৰিগণ পতি ;
গূঢ় কথা বহু কহিবে লাগিলা
কিন্তু পাসৰিলোঁ, ভ্ৰম ভৈল মতি।

———

# বিধৱা।

হায়ৰে অবলা বালা, সৰলা কোমলান্তৰা,
কৰিলে বিধবা বিধি তোমাক অকালে।
তোমাৰ অৱলম্বন, হৰি প্ৰিয় পতিধন,
অতল জলধি জলে সহৰ্ষে ডুবালে॥
হুয়া তুমি পতিহীনা, হলা হায় ম্ৰিয়মাণা,
বৃক্ষাশ্ৰিতা লতা যেন বৃক্ষৰ পতনে।
মধুহাঁসি নাই মুখে, প্ৰাণ সদা দহে দুঃখে,
নিজ কষ্ট বুঝা নিজে, কি বুঝিব আনে?
নিৰ্জ্জন প্ৰকোষ্ঠে বসি, অঞ্চলে নয়ন মছি,
কান্দা যবে, নেত্ৰেবাৰি বহে শতধাৰ।
স্বাৰ্থপৰ নৰগণ, সপনতো কদাচন,
ভাবে কি তোমাৰ দুঃখ, কৰে কি বিচাৰ?
কিম্বা যবে ৰজনীত, শয়নে হোৱা শায়িত,
কত যে কণ্টকে বিন্ধে তোমাৰ শৰীৰে।
কিম্বা কত নিশি গত, হোৱে তব অনিদ্ৰাত,
কোনে জানিবেক? মাত্ৰ জানয় ঈশ্বৰে॥
যেন ভূসাগৰে পড়ি, কাণ্ডাৰী বিহীনা তৰী,
কিম্বা পথে যেন তুমি নেত্ৰহীনা নাৰী।

মন সদা শোকাকুল,     জীৱনে মৰণ তুল,
দিলে হেন দুঃখ বিধি নাচালে বিচাৰি ॥
অথবা যি দুষ্ট বিধি,     নামানিয়া একো বিধি,
গোলাপ কমলে হায় কণ্টকে ৰচিলে।
স বিধি যে ৰমণীক,     অক্লেশে বৈধব্য শোক,
দিব পাৰে; নাই একো আশ্চৰ্য্য, ভাবিলে।
সুৰাঙ্গনা ৰূপধাৰী,     অবলা সুন্দৰী নাৰী,
পবিত্ৰ কমল হেন অন্তৰ কোমল।
কিৰূপে চতুৰানন!     বজ্ৰে বান্ধি তব মন,
কৰিলা অনাথা তাক, নয়ন সজল?
যদি হে পদ্মলাঞ্ছন!     নাছিলে তোমাৰ মন,
দিবে অবলাক প্ৰিয় পতি সহবাস।
কিয় তবে অকাৰণে,     মিলাইয়া দুয়ো জনে,
ক্ষণকাল হেতু, দিলা প্ৰেমৰ আভাস?
দৰ্শাই স্বৰ্গৰ সুখ,     কিয় দিলা পাছে দুঃখ,
যি দুঃখ ভাৰতে নোহে কদাচো অন্তৰ?
কিয়নো তৃষিত জনে,     হায় অল্প জল দানে,
দহিলা দ্বিগুণ, বিধি, তাহাৰ অন্তৰ?
পুৰুষও স্বাৰ্থপৰ,     কৰি ললে হিতকৰ,
নিজৰ হেতুকে যত নিয়ম লাগয়!

এক নাৰী বৰ্ত্তমানে, দ্বিতীয়া তৃতীয়া আনে,
বিধবাৰ হলে কিন্তু নাই পৰিণয় ॥
আশ্চৰ্য্য বিচাৰ হায়, প্ৰাণ মন দহি যায়,
নিষ্কণ্টক কৰি ললে পুৰুষৰ পথ।
ভগিনীৰ অৱস্থাত, নকৰিলে দৃষ্টিপাত,
অত্যন্ত নিৰ্দ্দয় নৰ স্বাৰ্থপৰ শঠ ॥
ইচ্ছা কৰোঁ হেন মনে, যেন সৰ্ব্বনৰগণে,
জনমি ৰমণী কুলে হওক বিধবা।
জানোক বিধবাৱস্থা, কেনে শোককৰ কথা,
কেনে পৰিতাপ মনে জ্বলয় সৰ্ব্বদা ॥
অথবা, পুৰুষ হেতু, হোক দৃঢ় বিধি ইটো,
নাৰীহীন হলে নাই পুনঃ পৰিণয়।
তবেসে নৰৰ নেত্ৰ, হুইবেক উন্মীলিত,
জানিবে কি দুঃখে দগ্ধ বিধবা হৃদয় ॥
শুনা হে বিধবাগণ! নকৰিবা শোক মন,
কালক্ৰমে সুখ-সূৰ্য্য হুইব উদয়।
দুঃখ ৰূপ তমঃৰাশি, ক্ৰমে পেলাইব নাশি,
কুনীতি যামিনী ক্ৰমে পাইব বিলয় ॥
ঈশ্বৰ কৃপাৰ বলে, জনমি ভাৰত স্থলে,
'ঈশ্বৰ পীযুষকৰ' বন্ধু বিধবাৰ।

প্ৰদৰ্শাই নানা বিধি, বাহিৰ কৰিছে বিধি,
বিধবা বিবাহ ৰীতি কৰিবে প্ৰচাৰ ॥

---

## জন্মভূমি।

যি সব স্বভাব শোভা আছয় তোমাৰ
হে প্ৰিয়জনমভূমি! আছে সেহি সব
আনো আনো দেশে; আছে সেহি বৃক্ষ লতা
সেই পক্ষী সেহি পশু সেহি কুঞ্জবন,
সেহিৰূপ জলাশয় নদ নদী আদি।
যি চন্দ্ৰ সূৰুযে কৰে সদা আলোকিত
তোমাৰ শ্যামল দেহ, সি চন্দ্ৰ সূৰুযে
কৰে কৰ দান যত আনো আনো দেশে;
সমৰূপে প্ৰভঞ্জনো শীতলে শৰীৰ।
তৱে কিয় নৰ মন সদা আকুলিত
তোমাক দৰ্শিবে, কিয় তুচ্ছে পৰদেশ?
ভুঞ্জোক পৰম সুখ পৰদেশে নৰ
সহৰ্ষে, কৰোক বাস হেম গৃহ তলে,
নোহোক অভাব একো; শচীপতি সম
কৰোক বসতি পুষ্প গন্ধে আমোদিত
নন্দন কানন সম উদ্যানৰ মাজে;

তথাপি, যদিও তথা মন মুগ্ধ তাৰ
থাকয় সৰ্ব্বদা ভোগে, তথাপি, অন্তৰে
উদয় হুইয়া ক্ষণে জন্মভূমি ৰূপ
আকুল কৰয় তাক আসিবে সিস্থানে।
কি যে আকৰ্ষণ গুণ জন্মভূমি তুমি
ধৰিছা তোমাৰ দেহে কি যে মনোলোভা
আছে শোভা তব, হায় বুজা সুকঠিন।
ধন্য তুমি জন্মভুমি, ধন্য শক্তি তব,
ধন্য তুমি প্ৰিয়স্থান নিখিল জগতে।

## আলেক্‌জেণ্ডাৰ ও দস্যু।

আঃ—"তয়ে কি থ্ৰেশীয় দস্যু যাৰ অত্যাচাৰ,
শুনোঁ প্ৰজাগণ মুখে এত বাৰম্বাৰ ?"
দঃ—"কোনে বোলে দস্যু মোক আত্মান্ত নাজানি ?
থ্ৰেশীয় কুলজ মই বীৰ চুড়ামণি ?
আঃ—"বীৰ চুড়ামণি ? কি কি বীৰচুড়ামণি ?
প্ৰবঞ্চক চোৰ তই অমঙ্গল খনি॥
নগৰে নগৰে তুষ্ট অগনি জ্বলালি।
হৰিয়া প্ৰজাৰ ধন দাৰিদ্ৰে ডুবালি॥

তোৰ ভয়ে গ্ৰাম্য লোক কঁপে থৰ থৰ।
নিৰ্ম্মম পাপিষ্ঠ তই থ্ৰেশীয় পামৰ ॥”
দঃ—“ৰাজ্যপতি তুমি, নৃপ, কি কৰোঁ বচন ?
নহলে উচিতোত্তৰ কৰিলোঁ হতন ॥”
আঃ—“ৰাজ্যপতি বুলি মোক নকৰিবি ভয়।
দেহ বাক্যোত্তৰ, কৰি নিঃশঙ্ক হৃদয় ॥
যি আছে বক্তব্য তোৰ কহিও নিৰ্ভয়ে।
দিছোঁ স্বাধীনতা আজি মৰণ সময়ে ॥”
দঃ—“তবে প্ৰশ্নছলে ৰাজা, কৰোঁ সমুদয়।
মৃত্যুকালে যি যি মোৰ বক্তব্য আছয় ॥
প্ৰথমে কহিও ভূপ তুমি কোন জন।
চাহোঁ শুনিবাক অগ্ৰে তব বিবৰণ ॥”
আঃ—“ৰাজা আমি ; মোৰ ৰাজবিধি শুভময়।
শুধিও যশক মোৰ দিব পৰিচয় ॥”
দঃ—“নকহে কি যশে তবে—তোমাৰ যিমত—।
বিক্ৰম কাহিনি মোৰ বীৰদৰ্প যত ?
ক্ষুদ্ৰ ক্ষুদ্ৰ গ্ৰাম মাত্ৰ কৰিছিলোঁ জয়।
তাতে যদি ইহীনৰ অপৰাধ হয় ॥
তুমিওতো কৰিছিলা দেশ বিলুণ্ঠন।
তুমিওতো হৰিছিলা পৰ দ্ৰব্যধন ॥

অসংখ্য লইয়া সেনা সেনানী নিচয়।
তুমি ওতো কত ৰাজ্য কৰিলা বিলয়॥
নিপাতিলা কত ৰাজা কত ধনী মানী।
নোহে কি সিসব দোষ তোমাৰ, নৃমণি ?
আমি ক্ষুদ্ৰ দস্যু মাত্ৰ অতি হীন জন।
তুমি কিন্তু মহা দস্যু ভীষণ শমন॥”
আঃ—“যদিও জিনিয়া ৰাজ্য অসংখ্য নগৰ।
লভিয়াছোঁ বহু অৰ্থ সম্পত্তি বিস্তৰ॥
সেহিৰূপে মুক্তহস্তে কৰি বহু দান।
কৰিছোঁ প্ৰজাৰ হিত মঙ্গল বিধান॥
কৰিছোঁ সুগম পথ কাটি মহাবন।
জলহীন স্থান জলে কৰিছোঁ পূৰণ॥
পথিকৰ হেতু পথে কৰিছোঁ নিৰ্ম্মাণ।
বিশ্ৰাম ভবন সহ মনোৰম স্থান॥
কত বিশ্ব বিদ্যালয় চিকিৎসাৰ ঘৰ।
কৰিয়াছোঁ কত কাৰ্য্য প্ৰজা হিতকৰ॥
দঃ—“আমিও কৰিছোঁ বহু হিতকাৰ্য্য, ভূপ,
অনুচৰগণ হেতু শক্তি অনুৰূপ॥
ক্ষুদ্ৰ ক্ষুদ্ৰ পাঠালয় কৰিছোঁ স্থাপন।
যুদ্ধ শিক্ষা দিছোঁ বহু কৰিয়া যতন॥

ৰাখিছোঁ ৰোগীৰ হেতু চিকিৎসকগণ।
পাৰ্য্যমানে কৰিয়াছোঁ শুভ সম্পাদন॥
তোমাত আমাত ভেদ নকৰোঁ দৰ্শন।
তুমি দস্যু, ময়ো দস্যু, দস্যু দুয়োজন॥
তবে মাত্ৰ এহি ভেদ, আমি হীন জন।
তব জন্ম ৰাজকুলে, আছে সিংহাসন॥"

এহিৰূপ দস্যু বাক্যে, অনুচৰগণে।
আজ্ঞিলা নৃপতি তাৰ বন্ধন মোচনে॥
হুইলা বিমুক্ত দস্যু বাক্যৰ বলত।
প্ৰণমিলা ভূপতিক হুয়া পদানত।

## ধনীৰ প্ৰতি ভিক্ষাৰীৰ উক্তি।

কিয় কিয় ধনি ঘুৰালা বদন
দৰ্শি ই হীনক? কিয় অকাৰণ
হুইলা সক্ৰোধ ভিক্ষুকৰ প্ৰতি?
কৰিয়াছে বিধি পৰ অন্নভোজী,
অত্যন্ত দৰিদ্ৰ, দেহ বস্ত্ৰহীন,
স্থবিৰ শৰীৰ, শ্ৰমে অপাৰগ;
নহলে কি হায় যষ্ঠি ভৰ কৰি
এই বৃদ্ধকালে শ্ৰান্ত পদক্ষেপে

অগ্নিময় ৰবি প্ৰচণ্ড কিৰণে
কৰোঁ অন্ন ভিক্ষা আমি দ্বাৰে দ্বাৰে ?
নহলে কি, ধনি আজি তব গৃহে
আসি ভিক্ষা হেতু, দৰ্শোঁ কি কদাচো
তব ক্ৰুদ্ধ মুখ নয়ন ভ্ৰূকুটি ?
তুমি ভাগ্যবান পাইছা অপাৰ
ৰজত কাঞ্চন, গজ বাজি আদি ;
এহি ভিক্ষুকক যদিও তথাপি
এক মুঠি অন্ন দিবে অপাৰগ
সক্ৰোধ অন্তৰ নুহুইয়া ধনি
"ভিক্ষা নাই" বুলি কহিলেই হয় ।
তব ৰূপ ধনী হোৱা বা নোহোৱা
উভয় সমান ; জানিবা নিশ্চিত
নাথাকিবে তব অতুল সম্পত্তি
চিৰদিন হেতু ; নাজানা কি হায়
মনুষ্য জীৱন অত্যন্ত নশ্বৰ ?
নাজানা কি হায় তোমাৰো ইদেহ
—সুখ ভোগে যিটো এৱে সুবৰ্দ্ধিত—,
মিশিব মৃত্তিকা সহ অন্তকালে,
থাকিব শায়িত অন্ধকাৰ কূপে ?

অথবা গৃধিনী বায়স শৃগাল
তব অস্থি লই কৰিবেক খেলা ?

---

## কলিকাতা।

(১)

হুইয়া শোভিত অতি অতুল শোভাতে,
যমুনাৰ তটস্থিত দিল্লীৰ নগৰ,
আছিল একালে এই বিস্তীর্ণ ভাৰতে,
অদ্বিতীয় শ্রেষ্ঠ স্থান পুৰ মনোহৰ।
কত হিন্দু ৰাজা তাত বীৰ দর্পে অতি,
আছিলে প্রকাশি বল বীর্য্য সবিশেষ ;
বাবৰ আকবৰ কত যবন ভূপতি,
কালক্রমে বসি তাত শাসিছিলে দেশ
আছিল একালে সেই দিল্লীৰ নগৰ।
ভাৰতৰ ৰাজধানী পুৰ মনোহৰ।

(২)

যি দিনৰ পৰা কিন্তু ভাৰত জননী,
—যাৰ অদৃষ্টত বিধি অমুচ্য অক্ষৰে,

ধৰিয়া কুক্ষণে বজ্র সমান লেখনী,
পৰ পদ সেবিবাক যুগ যুগান্তৰে,
লেখিলা নিৰ্দ্দয় চিতে। কৰি ধনবতী,
দিয়া অগণন মুক্তা হীৰক আকৰ,
নানা আভৰণে কৰি সুশোভিতা অতি,
লেখিলা দৰিদ্ৰা হুবে অল্প দিনান্তৰ
শিলৰ ৰেখাত, যাৰ হীন পুত্ৰগণ
উদৰ জ্বালাত সেবে পৰৰ চৰণ—।

( ৩ )

যি দিনৰ পৰা সেই, আৰ্য্যভূমি মাতা,
সেবিয়া সুদীৰ্ঘ কাল যবন চৰণ,
ইংৰাজ-কেশৰী নখে হুইছে পতিতা
সমৰ্পি তাহাক যত আছে ৰত্ন ধন ;
যি দিনৰ পৰা মাতা এড়ি পুৰাতন,
দাসীত্ব শৃঙ্খল নব ধৰিছে চৰণে,
( চিৰ অভ্যাসৰ কাৰ্য্য নোহে দুঃখ মন ) ;
সেহি দিন হন্তে নব প্ৰভুৰ মিলনে,
ভাগীৰথী তীৰে,—পুৰাতন দিল্লী জিনি—,
শোভিয়াছে কলিকাতা নব ৰাজধানী।

( ৪ )

অতি মনোৰম স্থান নয়ন ৰঞ্জন ;
সাৰি সাৰি অট্টালিকা দ্বিতল ত্রিতল,
পর্ণ পত্র যুত নাই এটীও ভবন,
কিৰণিছে সবে শ্বেত বৰণে কেৱল।
হিমাদ্রি মস্তকচ্যুত হুয়া যেন হায়,
অসংখ্য ধবল গিৰি ধৱল বৰণে
স্তূপাকাৰে হুয়া সাৰি, কলিকাতা কায়
ধবলিছে, ৰমণিছে মনুজ লোচনে।
আন স্থানে সুলভ যি বৰণ শ্যামল,
দুৰলভ তথা, মাত্র কেৱল ধবল।

( ৫ )

"কলেজ", "ওৱেলিংটন", "হেলিডে", "বিডন",
"চৌৰঙ্গী", "মিৰজাপুৰ", ইষ্ট্রিট নিকৰে,
প্রস্তৰ কঙ্কৰে কৰি দেহ আবৰণ,
নগৰৰ দীর্ঘ প্রস্থ পৰিমাণ কৰে।
সিসবৰ শাখাৰূপ কত "লেন" গণ
"স্কট", "পঞ্চানন্দতলা", "চাপাতলা" আদি,
ধৰিয়া বিবিধ নাম, সংখ্যা অগণন,
সিসবক পৰস্পৰ আছয় সংযোগি।

স্থানে স্থানে জলস্তম্ভ, ঘুরালেই কল,
ঢালে জল অবিরল শোধিত শীতল।

( ৬ )

রাত্রিত সহস্র গ্যাস্ যুড়ি চতুর্দ্দিক,
—সহস্র নক্ষত্র যেন উদিয়া ভূতলে—,
করে আলো অবহেলি পূর্ণিমা শশীক ;
কৃষ্ণ শুক্ল পক্ষ ভেদ নাথাকে সিস্থলে।
"ফুটপাথে" জনস্রোত বহে নিরন্তর
রাত্রি দিন সমভাবে, নাহিকে বিশ্রাম ;
মধ্যপথে ঘোঁড়াগাঁড়ী করে ঘড় ঘড়,
কেৱল উঠিছে শব্দ করি ধূমধাম।
থাকি থাকি নানা স্বরে পথে বারম্বার,
নানা দ্রব্য শিরে করি চীৎকারে "হকার"।

( ৭ )

কোনেৱে ডাকিছে "চাই তেতুল" বুলিয়া,
কোনোৱে "ডুগুলি এক পয়চা" শব্দিছে,
কোনোজনে "জুতাব্রুস্" "সেলাই জুতিয়া"
কোনোৱে "বরফ চাই" সঘনে ডাকিছে।
চীৎকারিছে "বুটভাজা" "মালাই" "মিঠাই",
"গোলাপী গেণ্ডেরী" "পান চাই" কোনোজনে,

কেহোঁ ডাকে "তালপাতা" "ফুলমালা চাই,"
শব্দ পাছে শত শব্দ পশিছে শ্ৰৱণে।
হাটে বাটে ঘাটে আছে দ্ৰব্য অগণন,
ইচ্ছামতে কিনি লোৱা যদি থাকে ধন।

(৮)

স্থানে স্থানে অভিনয় হোৱে ৰাত্ৰিকালে ;
কি যে সুমধুৰ বাদ্য বাজয় মন্দিৰে।
যেন সুৰাঙ্গনাগণ আসিয়া সিস্থলে,
বজাৱে সুযন্ত্ৰ ধৰি সুকোমল কৰে।
বাজে বংশী "হাৰ্ম্মনিয়ম" "ক্লেৰিনেট" বিপুল,
যত বিলাতীয় যন্ত্ৰ অতি মধুস্বৰে,
শুনি সি মিশ্ৰিত স্বৰ জগতে অতুল
কোন নৰনাৰী হায় নদ্ৰৱে অন্তৰে ?
তালে তালে নাচে গায় অভিনেতৃগণ,
বোধ হোৱে মনে যেন সুখৰ স্বপন।

(৯)

নাটৰ মন্দিৰ এড়ি, এড়ি বাদ্যগান,
আসিও পাঠক ! এবে ইংৰাজ বিভাগে,
দেশীয় বিভাগ জিনে যিটো মহাস্থান,
—নিজিনিব কিয় ? তাত জেতৃগণ থাকে।

শ্বেত কৃষ্ণ অঙ্গে যদি প্রভেদ থাকয়,
থাকয় প্রভেদ যদি জেতা জিত কুলে,
প্রভু দাস যদি কদা সমান নহয়
দুহুবে প্রভেদ কিয় তবে বাসস্থানে—?
আসিও পাঠক, ( কিন্তু ভয় ভয় চিতে
আসিবা ), দৰ্শিও "বহুবাজাৰ ইষ্ট্ৰীটে"

( ১০ )

ইংৰাজ নাবিকগণ ; উন্মত্ত অতি,
খুলিছে বোটল কাঁক আহ্লাদিত মনে,
ঢালিছে কৰস্থ গ্লাসে সুধা মুৰ্ত্তিমতী
"ব্ৰাণ্ডি" নামে ; সুধাৰূপ পীয়াছে সঘনে।
পুনৰ ঢালিছে ব্ৰাণ্ডি গ্লাচ পূৰ্ণ কৰি,
পুনৰ কৰিছে পান, আনন্দ অপাৰ ;
বিবাদিছে পৰস্পৰ , কেহোঁ আছে পড়ি
পথ পাশে দ্বাৰ মুখে হুয়া দীৰ্ঘাকাৰ।
কেহোঁ সুৰেশ্বৰী পূজি উদৰ গহ্বৰে
ঈপ্সিত সুখৰ মুৰ্ত্তি ভাবিছে অন্তৰে।

( ১১ )

ধন্য দেবি সুৰেশ্বৰি। তুমি মাননীয়া,
ধন্য তব অৱতাৰ এহি কলিকালে ;

ইউৰূপ আমেৰিকা আফ্রিকা আসিয়া,
চাৰি মহাদেশ নত তব পদতলে।
কত উপাসকগণ অতি সমাদৰে
দিছে হৰ্ষে ধনাঞ্জলি তোমাৰ চৰণে,
—যি ধন লাগিয়া নৰ দেশ দেশান্তৰে
কৰয় ভ্রমণ হায় উৎকণ্ঠিত মনে—
হেন কষ্টলভ্য ধন পদে প্রদানিছে,
কতো জনে শ্রীচৰণে জীৱনো এড়িছে।

( ১২ )

ইশ্বৰকো ভক্তি নৰ বাহিৰে দর্শায়,
নকৰে প্রকৃত ভক্তি তাহাঙ্ক হৃদয়ে ;
তব উপাসকগণ যদিও ঘৃণায়
বাহিৰে তোমাক লোক সমাজৰ ভয়ে,
অন্তৰত কৰে কিন্তু তব ৰূপ ধ্যান,
পিতৃধন শ্রাদ্ধ কৰে শ্রীপদে তোমাৰ
অতুল মহিমা ৰাশি সদা কৰে গান,
নমে ভূতলত পড়ি হুটা দীৰ্ঘাকাৰ।
অনন্তৰূপিনি সুৰা ! ধন্য প্রলোভন ;
কি বুঝোঁ মহিমা আমি অভকত জন।

( ১৩ )

ইফালে কলিঙ্গা নামে স্থানে অপৰূপ
বাৰনাৰী গৃহ শ্রেণী ভাসিছে নয়নে ;
শ্বেতভুজা দেবীগণ এড়ি ইউৰূপ,
—এড়ি সুৰপুৰ যেন সুৰবালাগণে
সুৰেশ্বৰ শাপে—, লঙ্ঘি বিস্তীর্ণ সাগৰ
বিবিধ বিপদাকীর্ণ, হেলি উৰ্ম্মিমালা
কৰিছে সিস্থানে বাস উল্লাস অন্তৰে ;
নাজানোঁ কুহকে কিনো স্বদেশ ত্যজিলা।
—জয় বৃটেনীয়া, জয় যতেক বৃটন,
দেব শক্তি তোমাসাৰ শৰীৰে মিলন।

( ১৪ )

নহলে, কিহৰ বলে অবলা ৰমণী
কোমলা লতিকা প্রায়, কিহৰ সাহসে,
অৱহেলি নদ নদী ৰাজ্য ৰাজধানী
অপাৰ সমুদ্র বাৰি কটাক্ষে লঙ্ঘিছে ?
ধন্য তোমাসাৰ বল বিবিধ কৌশল,
কত দেশ ভাসমান পদে তোমাসাৰ,
কত যে মুকুটধাৰী পিন্ধিছে শৃঙ্খল,
মানিছে দাসত্ব আৰু যত পাৰাবাৰ—।

পাঠক ! কল্পনাবলে কৰা দৃষ্টিপাত,
কত বাৰাঙ্গনা বাস কৰে কলিঙ্গাত।

( ১৫ )

অৰ্দ্ধ বক্ষ অৰ্দ্ধ পৃষ্ঠ ৰাখি উলঙ্গণে,
কত শ্বেতভুজা দেবী স্বতাম্রা-কেশিনী,
বংশ-শলা নিৰমিত ৰঞ্জিত আসনে
বসিছে হুইয়া গৃহদ্বাৰ-সুশোভিনী।

* * * * *
* * * * *

( ১৬ )

সুদূৰে কেশৰীদ্বাৰ যুত ৰাজ গৃহ
ধৰিছে অতুল শোভা ; দ্বাৰে ৰক্ষিগণ,
বীৰ সাজে আবৰিয়া নিজ নিজ দেহ,
হাতত বন্দুক ধৰি কৰিছে ভ্ৰমণ।
নিকটে “টাউন হল” ; শত শত শ্ৰোতা
হোৱে একত্ৰিত তাত, গৰ্জ্জে বক্তাগণ
সুদীৰ্ঘ বক্তৃতা কৰি, লভয় উষ্ণতা
তেজ স্ৰোত, দেহে শীৰা কৰয় নৰ্ত্তন।
সেহি ধ্বনি প্ৰতিধ্বনি গৃহে ইষ্টকৰ,
পশিছে শ্ৰৱণে আসি পথিক জনৰ।

"জেনেৰাল পোষ্টাফিস্" "টেলিগ্ৰাফাফিস্"
(আহা কি বিচিত্ৰ কৰি নিৰ্ম্মিলে ইংৰাজে)
যেন শিৰ উচ্চ কৰি দৰ্শে চতুৰ্দ্দিশ,
নেত্ৰ তৃপ্তিকৰ অতি মনোৰম সাজে।
"হাইকোৰ্ট" গৃহ,—হায় যাহাৰ স্মৰণে
আসে মনে নানা চিন্তা—, বিচাৰ আলয়;
বসিয়া তথাত জজ বিচাৰকগণে
নৰৰ জীৱন মৃত্যু কৰয় নিশ্চয়।
চাৰি ফালে ঘেড়ি কোৰ্ট মাজত প্ৰাঙ্গণ,
ৰক্ত মৎস্য কুঁৰা জলে কৰিছে নৰ্ত্তন।

(১৮)

অদূৰে দক্ষিণে এৱে নয়ন গোচৰে,
ভাসিছে শ্যামল বৰ্ণে "ইডেন" উদ্যান;
গ্ৰীষ্মে জনস্ৰোতে ঘুড়ি আকুল অন্তৰে
শ্যাম উপবন দেখি জুড়ায় পৰাণ।
কিনো ৰমণীয় স্থান! বিশ্বকৰ্ম্মা যেন
বহু আলোচনা কৰি স্বহস্তে ৰচিলে
নন্দন কানন জিনি "ইডেনগাৰ্ডেন";
ধন বিনিময়ে পাছে ইংৰাজক দিলে।

নানা বৃক্ষ নানা লতা নানা পুষ্পগণ,
নিৰমল ৰূপে বন কৰিছে শোভন।

( ১৮ )

ছিন্নমস্ত দূর্ব্বাদল সম উচ্চ, যেন,
শ্যাম তৰল জল ভাসিছে দৃষ্টিত;
মাজে মাজে ক্ষুদ্ৰ পথ অতি সুচিকণ,
দুই পাশে ক্ষুদ্ৰ বনে পুষ্প প্ৰস্ফুটিত।
শীতল ছায়াৰ তলে আছয় আসন;
পথশ্ৰান্ত লোকগণ তপনে তাপিত,
বসি তাত হৰ্ষ চিত্তে জুড়ায় নয়ন
সুখদ স্বভাব শোভা দৰ্শি চতুৰ্ভিত।
এড়ি যেন লোকাৰণ্য এড়ি পাপীগণে
বসিছে প্ৰকৃতি দেবী বিৰল বিজনে।

( ১৯ )

আছে এক গৃহ তাত চতুৰ্কোণ তাৰ
কৰে জল মল যেন সুৱৰ্ণৰ কাজ,
সকলে কহয় বোলে গৃহ দেবতাৰ,
ব্ৰহ্মদেশ হন্তে যুদ্ধে লভিলা ইংৰাজ।
সমুখত জলাধাৰ, মৃদু সমীৰণে
আন্দোলিত কৰি জল, তৰঙ্গ মালায়

তটস্থিত ব্ৰহ্মা-দেব-মন্দিৰক ঘনে
সহস্ৰ মন্দিৰ কৰি হৰ্ষে প্ৰদৰ্শায়।
ক্ষুদ্ৰ দুটী শ্বেত 'বোট' শোভা কৰে জল
যেন প্ৰস্ফুটিত দুটী শ্বেত শতদল।

( ২০ )

সন্ধ্যাকালে,—দিনমণি তেজ সঙ্কুচিয়া
সুদূৰ পশ্চিমে পাতি লোহিত আসন
শূন্যস্থলে, ক্ৰমে ক্ৰমে পদ বিস্তাৰিয়া
ক্লান্তি দূৰিবাক যবে কৰয় শয়ন—।
সেহিকালে "ইডেনত" কত নৰগণ,
কৰে বিচৰণ আসি কৰিবে শীতল
উত্তাপিত দেহ; সেৱি সন্ধ্যা সমীৰণ
দিৱসৰ শ্ৰান্তি দূৰে, লভে পুনঃ বল।
ঝম ঝম কৰি বাজে বৃটিচ বাজনা
জগতে সিবাদ্য সম কি আছে তুলনা?

( ২১ )

ইবাদ্য বলত হায় সমৰ প্ৰাঙ্গণে,
যোদ্ধাৰ ধৰ্মনি মাজে নাচে তপ্ত তেজ,
ইবাদ্যে জাগ্ৰত হোৱে সুপ্ত সেনাগণ,
ভীৰু জনো পায় বল ধৰে বীৰ তেজ।

ইবাস্থ কুহকে মাত্র পাসৰি মৰণ,
পাসৰিয়া প্রিয় জন উন্মত্ত হুইয়া,
কেশৰী সদৃশ পশি যুদ্ধে যোদ্ধাগণ,
ত্যজে তুচ্ছ প্রাণ শত শত্রু সংহাৰিয়া।
এহি বলে দ্বীপবাসী নাচিয়া বীৰত্বে,
বিজয় পতাকা হায় উড়ালে ভাৰতে!

( ২২ )

দেখিও অনতিদূৰে দক্ষিণ দিশত
ভীম মূৰ্ত্তি দুৰ্গ যেন কালান্ত কেশৰী;
দুৱাৰে প্রহৰীগণ টহলে দৰ্পত
উলঙ্গ শঙ্গিন যুত যম দণ্ড ধৰি।
অনল বৰ্ষণকাৰী কামান নিচয়
অব্যৰ্থ ব্রহ্মাস্ত্র সম, গোলা স্তূপাকাৰ,
—যাৰ এটী তেজে শত শত্রু পাত হয়—
ধৰিয়াছে দুৰ্গ যেন দেহে অলঙ্কাৰ।
ভাৰতে ব্রিটিচ ৰাজ্য গৌৰব বীৰত্ব,
এই দুৰ্গ শিৰে সব আছে সংস্থাপিত।

( ২৩ )

কোন্ শত্রু কোন্ প্রাণে হুব অগ্রসৰ?
ঘন ঘটা নাদ জিনি কামান গৰ্জ্জন

শুনিয়া, দেখিয়া আৰু গোলা তেজস্কৰ
কোন্ মৰ শত্রুৰনো নকঁপিব মন ?
বাহিৰে দেখাত দুর্গ শান্তিৰ আলয়,
আছয় নিদ্রিত যেন দুর্ব্বল কেশৰী,
সমুখ সমৰে কিন্তু ভীম মূর্ত্তিময়
উঠে যেন মহা সিংহ দন্ত কড় মড়ি।
ইয়াৰ হেতুকে নত যত নৃপগণ,
ভয়ে ভাগীৰথী কৰে পদ প্রক্ষালন।

( ২৪ )

হায় ভাগীৰথী কথা পড়িল মনত ;
পুণ্যবতী স্রোতস্বতী বহমানা যথা,
যাৰ বাৰি স্পর্শে পাপ হোৱে বিদূৰিত
চলিও পাঠকবর্গ যাওঁ এবে তথা।
সহস্র তৰঙ্গ ধৰি সুধীৰ গমনে
কি চিন্তাত মুগ্ধা হুয়া জাহ্নবী জননী
শক্তিহীনা প্রায় আজি বহিছে বিমনে ?
কি ভাবে ভাবিতা আজি পতিত পাবনী ?
থাকি থাকি যেন হায় কৰি কল কল,
প্রকাশিছে মন দুঃখ গীতে অবিৰল।

(১)

"হা অদৃষ্ট! এহি শেষ আছিল আমাৰ।
কতে স্বৰ্গধাম হায় কতেবা ভূতল;
কিয় বিধি ৰাখি কমণ্ডলুত তোমাৰ
আদৰে, নির্দ্দয় হুয়া দিলা ৰসাতল?"

(২)

"সাগৰৰ বংশোদ্ধাৰ উপলক্ষ কৰি
ছলিলেক কিয় মোক দুষ্ট ভগীৰথে।
কিয় মনোৰম স্বৰে শঙ্খ বাদ্য কৰি
আনিলেক মোক এই নৰকৰ পথে?"

(৩)

"আমি গঙ্গা,—দিয়া যাক মহিমা অপাৰ
সৃজিছিলে বিধি পাপী নিস্তাৰ কাৰণ;
শকতি অতুল যাৰ, তৰঙ্গ আঘাতে
ভাসিছিলে ঐৰাৱত ইন্দ্ৰৰ বাহন;"

(৪)

"যাক পূজিছিলে সদা যত মৰামৰ
নৈবেদ্য দুগধ ঘৃত নানাবিধ সাজে,
থাওক সিসব কথা আপুনি শঙ্কৰ
ৰাখিছিলে শিৰে যাক জটাজুট মাজে।"

(৫)

"সেই গঙ্গা আমি হায় পতিত পাবনী,
পড়িলোঁ অদৃষ্ট বলে পাপিনী ভাৰতে ;
হায় আজি হলোঁ আমি শৃঙ্খল ধাৰিণী
বান্ধিলে ইংৰাজে মোক হাবড়াৰ ঘাটে।"

(৬)

"অসংখ্য পৰ্ব্বত লঙ্ঘি নিষ্কণ্টকি পথ
হুইছিলোঁ পৰাজিতা জহ্নুৰ উদৰে
একবাৰ ; হায় এই কলিৰ কালত
হলোঁ পৰাজিতা পুনঃ শ্বেতাঙ্গৰ কৰে।"

(৭)

"কোনে জানিছিলে কিম্বা কোনে ভাবিছিলে
হুইব অৰ্ণবপোতে বক্ষ বিদাৰিত ?
যাৰ জল স্পৰ্শে নৰ মুক্তি লভিছিলে,
বিদেশী বাণিজ্যোপায় হুইবোঁ কলিত !

(৮)

"কতেক, সহিবোঁ, দুঃখ ? আমাৰ জীৱন
কৰিছে উজান ভাটি হায় প্ৰতিদিনে,
নুবুজিয়া কয় কিন্তু যত নৰগণ,
'বহয় জোৱাৰ ভাটা জাহ্নবী জীৱনে' !"

( ৯ )

"বাৰম্বাৰ কঁপে মোৰ সমস্ত শৰীৰ,
বাৰম্বাৰ উঠে মোৰ শত উৰ্ম্মিচয়,
কোমল হৃদয় পুনঃ হোৱয় অধীৰ
শত শত উৰ্ম্মিমালা পুনঃ পায় লয়।"

( ১০ )

"মকৰ বাহনে হায় ছিলে যাৰ স্থিতি,
সেহি আমি নিজে এবে ম্লেচ্ছৰ বাহন ;
সহিছোঁ কোমল বক্ষে পোত গতাগতি
বিদৰিছে প্ৰাণ মোৰ বিদৰিছে মন।"

( ১১ )

"ইফালে প্ৰকৃতি দেবী,—দীনা দুৰ্ভাগিনী
আমাৰে নিছিনা,—হায় ত্যজি কলিকাতা
ইচ্ছা বিপৰীতে, এড়ি চিৰ ৰাজধানী,
বসিছে 'ইডেনে যেন অশোকত সীতা।"

( ১২ )

"তমস্বিনী প্ৰকৃতিৰ প্ৰিয় সহচৰী,
দীপালোক ভয়ে বসে সুদূৰ বিপিনে ;
সখী সহ যায় পাছে কুমন্ত্ৰণা কৰি
এই ভয়ে দুৰ্গে তোপ গৰ্জ্জে প্ৰতিদিনে।"

( ১৩ )

"আমি, তমস্বিনী, আৰু প্ৰকৃতি সুন্দৰী,
তিনিও শৃঙ্খলে বদ্ধা নাহিকে এড়ন ;
হায় বিধি তযু পদে কিবা দোষ কৰি
দুস্তৰ জলধি জলে হুইলোঁ মগন ?

---

## ক্ৰন্দন।

কোন সিটী কান্দে আজি বিনাই বিনাই ?
ইঘোৰ ৰজনী কালে,
দগ্ধপ্ৰায় দুঃখ জ্বালে,
কোনেনো ক্ৰন্দন স্বৰে গগন ভেদায় ?

বিশ্ৰাম-ৰজনী জানি সুপ্ত নৰগণ ;
সুপ্ত পশু পক্ষী যত
গৰ্ত্ত তৰু-কোটৰত ;
তৃণ লতা আদি সুপ্ত, সুপ্ত সমীৰণ।

সৰ্ব্ব জীৱগণ লই নিদ্ৰিতা ধৰণী।
কেৱল নিয়তি পক্ষী,
ডাকে একোবাৰ থাকি ;
আৰু সেই গৃহে কান্দে এজনী ৰমণী।

হায় অভাগিনী নাৰী, প্ৰিয় পুত্ৰ ধন।
—চিৰ যত্নে স্থবৰ্দ্ধিত
পুষ্প কলি প্ৰস্ফুটিত—
হেৰুৱাই আজি শোকে সন্তাপিত মন।

যদিও নিদ্ৰিত যায় ভূচৰ খেচৰ।
হৃদয় আকাশ শশী,
ভূতলে পড়িছে খসি,
কি স্থখে নিদ্ৰিত যাব জননী অন্তৰ ?

শয্যা কণ্টকিত প্ৰায় বিষাদিত মন ;
নেত্ৰ বাৰি ঝৰ ঝৰ,
বহিয়াছে নিৰন্তৰ,
তিতিছে হৃদয় স্থল, তিতিছে বসন।

কিমতেনো পাসৰিব সন্তান বদন
যি বদন মাতৃ আগে
স্বৰ্ণপ্ৰভ সম লাগে ;
পাসৰিব কিমতেনো সিহেন কাঞ্চন।

আকও কান্দিছে হায় ব্যাকুল অন্তৰে।
ভঙ্গ স্বৰে কৰি ঘন

পুত্ৰ গুণ কীৰত্তন,
পুনঃ বিলাপিছে শুনা চতুৰ্গুণ স্বৰে !

"কলৈ গলি বাছা মোৰ সুকুমাৰ মতি ?
শূন্য কৰি বক্ষস্থল,
দিয়া মোক হলাহল,
কলৈ গলি অভাগিনী (ৰ) কৰি হেন গতি ?"

"তোৰ অবিহনে মোৰ ফাটি যায় হিয়া।
সিহঁতে বন্ধন কৰি
মোত হন্তে আজি দূৰি
কতেনো শ্মশানে তোক আসিলে ৰাখিয়া।"

"দহিলে অকাল অগ্নি সুখৰ আলয় ;
শূন্য হল মোৰ গৃহ,
শূন্য অভাগিনী দেহ,
নিখিল জগত শূন্য, সব শূন্যময়।"

"ডুবিলেক সুখ-তৰী দুস্তৰ সাগৰে।
কোনে 'আই আই' বুলি,
ডাকিব সাদৰ কৰি
কাৰ মধুবাক্য শুনি জুড়াবোঁ অন্তৰে ?"

"কোনে। ওচৰে বসি সহাস্য বদনে,
তালি ভুলি কৰি হায়,
অৰ্দ্ধস্ফুট মধুময়
বাক্যে, সুধিবেক কথা মোক ঘনে ঘনে ?"

"ময়েবা কাকেনো কোলা কৰি প্ৰতিক্ষণ,
ইন্দুপ্ৰভ বদনত,
চুম্বন সহস্ৰ শত
কৰিয়া, মানিবোঁ ধন্য আমাৰ জীৱন ?"

"হায় হায় গল আজি সুখৰ মূৰতি ;
প্ৰাণসম পুত্ৰ গল,
কিয় দেহে প্ৰাণ ৰল ?
কিয় পুত্ৰ সঙ্গে প্ৰাণ নকৰিলে গতি ?

অহহ জননী হিয়া ফাটিছে বিষাদে ;
ক্ষণে তেঁও মূৰ্চ্ছাগত,
কৰাঘাত কপালত
কৰে ক্ষণে, মুষ্ট্যাঘাত হানে নিজ হৃদে।

শোকৰ তৰঙ্গমালা বিলোড়ে অন্তৰ ;
মুহুঃ মুহুঃ কণ্ঠৰোধ,

মুহূর্ত্তে হেৰায় বোধ,
জ্বলিছে কৃষাণু শিখা দেহৰ ভিতৰ।

ইৰূপ অন্তৰাৱস্থা ঘটিছে যাহাৰ,
কি ভোগে তাহাৰ চিত
হুইবেক প্রলোভিত;
বিশ্রাম ৰজনী কিনো সুখকৰ তাৰ?

ইৰূপ জননী প্রতি,—যাৰ প্রাণ মন
পুত্ৰ-স্নেহ সূত্ৰে গাঁথা;
পুত্ৰ-সুখে সন্তোষিতা,
পুত্ৰ-দুঃখে বিষাদিতা হোৱে যেহিজন,—

ইহেন দেবীৰ প্রতি মান্যা পূজনীয়া
যিপুত্ৰে নকৰে ভক্তি;
নেসেবয় পদ দুটী;
জানিবা নাৰকী সিটো জন্মিছে আসিয়া

---

সম্পূর্ণ।

৮৯৩/অ:

# জাননী।

তলত লেখা পুস্তক কেইখান মোলৈ পত্র লেখিলে শীঘ্রে পোৱা যায়। একেবাৰে ৫৲ টকা বা তাৰ অধিক মূল্যেৰ পুস্তক ধন দি নিলে শতকৰা ১০৲ টকা নিৰিখে কমিশ্যন দিয়া যায়।

| পুস্তক। | মূল্য। | ডাক খৰচ |
|---|---|---|
| পৰিমিতি ও জৰিপ | ৸৶০ | ⁄০ |
| চিন্তা-তৰঙ্গিণী ১ম ভাগ | ।০ | ৴৬ |
| চিন্তা-তৰঙ্গিণী ২য় ভাগ | ।৶০ | ৴৬ |
| কবিতামালা ১ম ভাগ | ৶০ | ৴৬ |
| কবিতামালা ২য় ভাগ | ।০ | ৴৬ |
| সীতাহৰণ কাব্য পকা বন্ধা | ৸৶০ | ⁄০ |
| ঐ কেচা বন্ধা | ॥৵০ | ⁄০ |
| চিন্তা-তৰঙ্গিণী ১ম ভাগৰ অৰ্থ | ৶০ | ৴৬ |
| কবিতামালা ১ম ভাগৰ অৰ্থ | ৵০ | ৴৬ |
| কবিতামালা ২য় ভাগৰ অৰ্থ | ৵৬ | ৴৬ |

গুৱাহাটী,
১লা মাৰ্চ্চ, ১৯০৯।

শ্ৰীভোলানাথ দাস,
গুৱাহাটী।

## এজেণ্ট সকলৰ নাম।

শ্ৰীযুত শিৱনাথ ভট্টাচাৰ্য্য—ডিব্ৰুগড়।

শ্ৰীযুত দীননাথ শৰ্ম্মা বৰুৱা—নগাঁও।

শ্ৰীযুত নীলাম্বৰ বৰুৱা— গুৱাহাটী।